**২০০৪ এছ চি চি অনলাইন গৌহাটী ১৩০: (২০০৫) ৩ গৌহাটী এল আৰ ৪৯১:(২০০৫) ৩ আই চি চি ৭০৮ (গৌহাটী):২০০৫ ক্রিমিনেল এলজে ৫৯৯:(২০০৫) ২ এ এল ডি (ক্রিমিনেল) (এন অ' চি ২৩) ১৪**

## গৌহাটী উচ্চ ন্যায়ালয়

(মহামান্য ন্যায়াধীশ আই এ আনচাৰী)

কুশল কুমাৰ তালুকদাৰ—আবেদনকাৰী

বনাম

চন্দ্ৰ প্ৰসাদ গোয়েঙ্কা---বিপৰীত পক্ষ

ফৌজদাৰী পুনৰীক্ষণ গোচৰ নং ১৩০-২০০১

ৰায় প্ৰদান কৰা হয় -১৫ চেপ্তেম্বৰ,২০০৪

ফৌজদাৰী কাৰ্যবিধি আইন,১৯৭৩ ২৫৬(১)নংধাৰা - মৃত্যুৰ বাবে অভিযোগকাৰীৰ অনুপস্থিতি - চমন গোচৰ হিচাপে বিচাৰযোগ্য অপৰাধ কৰাৰ অভিযোগ - অভিযোগকাৰীৰ মৃত্যুত অভিযোগ হ্ৰাস হ'ব নে নহয় - ৰায়: গোচৰটো আগবঢ়োৱাটো উচিত হয় নে নহয় সেয়া এটা নিৰ্দিষ্ট গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে।

অৱশ্যেই এনেকুৱা গোচৰো থাকিব পাৰে য'ত অভিযোগকাৰীৰ মৃত্যুৰ পিছত দণ্ডাধীশে বিচাৰ চলাবলৈ অনুমতি প্ৰদান নকৰিবও পাৰে যদিহে তেওঁ অভিযোগকাৰীৰ ব্যক্তিগত উপস্থিতি প্ৰয়োজনীয় বুলি বিবেচনা কৰে। উদাহৰণস্বৰূপে, যদি অভিযোগকাৰীয়ে অভিযোগ দাখিল কৰে যে অভিযুক্তই তেওঁক আক্ৰমণ কৰিছে, তেন্তে, যদি একমাত্ৰ সাক্ষীজন অভিযোগকাৰী নিজেই হয় আৰু আক্ৰমণৰ বাবে নহয় কিন্তু আন কোনো কাৰণত তেওঁৰ মৃত্যু হয়, তেন্তে তেনে অভিযোগ অব্যাহত ৰখাৰ কোনো উদ্দেশ্য নাথাকিব কাৰণ, অৱশেষত প্ৰমাণৰ সম্পূৰ্ণ অভাৱৰ বাবে অভিযুক্তক দোষমুক্ত কৰাৰ লগে লগে বিচাৰৰ অন্ত পৰিব। কিন্তু ধৰি লওক যে অভিযোগকাৰীৰ প্ৰমাণ লিপিবদ্ধ

হোৱাৰ পিছত তেওঁৰ মৃত্যু হয় আৰু যদি তেওঁকো জেৰাত ৰখা হয়, তেন্তে, বিচাৰ এতিয়াও আগবাঢ়িব পাৰে, কাৰণ, অভিযোগকাৰীৰ ব্যক্তিগত উপস্থিতিৰ আৰু প্ৰয়োজন নহ'ব। আহক, এতিয়া, আন এটা গোচৰ লওঁ। ধৰি লওক এজন ব্যক্তিয়ে অভিযোগ দাখিল কৰিছে যে তেওঁৰ পুত্ৰক অভিযুক্তই আক্ৰমণ কৰিছিল। সময়ৰ লগে লগে এনে এটা গোচৰত দণ্ডাধীশে চমন জাৰি কৰাত অভিযুক্ত হাজিৰ হ'ল, কিন্তু অভিযোগকাৰীৰ মৃত্যু হোৱাৰ বাবে হাজিৰ হ'ব নোৱাৰিলে। এনে ক্ষেত্ৰত দণ্ডাধীশে বিচাৰ প্ৰক্ৰিয়া আগবঢ়াই নিব লাগে, কাৰণ অভিযোগকাৰীৰ অনুপস্থিতিতো অভিযোগকাৰীৰ পুত্ৰৰ প্ৰমাণৰ ফলত অভিযুক্ত দোষী সাব্যস্ত হ'ব পাৰে। গতিকে অভিযোগকাৰীৰ মৃত্যুৰ পিছতো গোচৰটো আগবাঢ়ি যাবলৈ দিয়া হ'ব নে নহয় সেয়া কোনো এটা গোচৰৰ তথ্যৰ ওপৰত নিৰ্ভৰ কৰিব। কোনো অনমনীয় নিয়ম, এই ক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰি। অৰ্থাৎ, অভিযোগকাৰীৰ মৃত্যুৰ পিছতো চমন গোচৰত অভিযোগ এটা অব্যাহত ৰাখিবলৈ অনুমতি দিয়া হ'ব নে নাই সেয়া এক প্ৰশ্ন, যাৰ উত্তৰটো প্ৰদত্ত গোচৰটোৰ তথ্যৰ ওপৰত নিৰ্ভৰশীল হ'ব আৰু এই সন্দৰ্ভত কোনো অপৰিৱৰ্তনীয় বা অনমনীয় আইনৰ নীতি নিৰ্ধাৰণ কৰিব নোৱাৰি।এনে ক্ষেত্ৰত মই অৱশ্যে স্বেচ্ছাচাৰী হিচাপে নহয়, ন্যায়সঙ্গত ভাৱে বিবেচনা কৰিম।(দফা ৪৮)

ফৌজদাৰী কাৰ্যবিধি আইন,১৯৭৩ ধাৰা ২৫৬ৰ(১)নং উপধাৰা আৰু ৩০২– চমন গোচৰত অভিযোগকাৰীৰ মৃত্যু – গোচৰটো এই ভিত্তিত আগবঢ়াব পাৰিনে যে মৃতকৰ অধিবক্তা অভিযোগকাৰী মৃতকক প্ৰতিনিধিত্ব কৰিবলৈ উপস্থিত থাকে - ৰায়:নহয় – অভিযোগকাৰীৰ দ্বাৰা নিয়োগ কৰা এজন অধিবক্তা অভিযোগকাৰীৰ মৃত্যুৰ পিছত তেওঁৰ অধিবক্তা হৈ নাথাকে আৰু মৃতকক প্ৰতিনিধিত্ব কৰিব নোৱাৰে - দণ্ডাধীশে অৱশ্যে ৩০২ নং ধাৰাৰ ব্যৱস্থাৰ দ্বাৰা মৃত অভিযোগকাৰীক প্ৰতিনিধিত্ব কৰিবলৈ এনে এজন অধিবক্তাক অনুমতি প্ৰদান কৰিব পাৰে। (দফা ৪৭)

বিনিয়মযোগ্য দলিল আইন ১৮৮১,১৩৮ নং ধাৰা – ফৌজদাৰী কাৰ্যবিধি আইন,১৯৭৩, ২৫৬(১) নং ধাৰা– চমন গোচৰ হিচাপে বিচাৰযোগ্য ১৩৮ নং ধাৰাৰ অধীনত এটা অপৰাধ কৰাৰ অভিযোগ – অভিযোগকাৰীৰ মৃত্যু - বিচাৰ প্ৰক্ৰিয়া হ্ৰাস হ'ব নে নহয় – মৃত অভিযোগকাৰীৰ বৈধ উত্তৰাধিকাৰীসকল মৃত

অভিযোগকাৰীক প্ৰতিনিধিত্ব কৰাৰ অধিকাৰ প্ৰাপ্ত কৰা আৰু বিচাৰৰ পৰৱৰ্তী প্ৰক্ৰিয়াৰ সৈতে আগবাঢ়ি যোৱাৰ অধিকাৰ আছে।

এইটো নিৰ্ধাৰণ কৰা হৈছে যে বিনিয়মযোগ্য দলিল আইনৰ ১৩৮নং ধাৰাৰ অধীনত এটা গোচৰত, য'ত অভিযোগকাৰীৰ গোচৰটোৰ সংজ্ঞান লোৱাৰ পিছত মৃত্যু হয়,তেতিয়া প্ৰক্ৰিয়াবোৰ কমি নাযায় আৰু যথাযথ আৰু ফৌজদাৰী কাৰ্যবিধি আইনত নিৰ্ধাৰিত প্ৰক্ৰিয়াৰ মাজেৰে বিচাৰটোৰ যুক্তিসংগত সমাপ্তি ঘটাব লাগিব। লগতে এইটোও মত পোষণ কৰা হৈছিল যে ফৌজদাৰী কাৰ্যবিধি আইনত বা বিনিয়মযোগ্য দলিল আইনত এইটো নিৰ্ধাৰণ কৰা কোনো বিধান নাই যে ধন পাবলগীয়াজনৰ মৃত্যুত, বিচাৰ প্ৰক্ৰিয়া হ্ৰাস হ'ব আৰু সেইকাৰণে অভিযোগকাৰী ধন পাবলগীয়াজনৰ মৃত্যুত বিচাৰ প্ৰক্ৰিয়া হ্ৰাস নহয়। সেয়েহে,প্ৰকৃত অভিযোগকাৰীজনৰ বৈধ উত্তৰাধিকাৰীজন আগবাঢ়ি আহিবলৈ দায়বদ্ধ আৰু তেওঁলোকে অভিযোগকাৰীক প্ৰতিনিধিত্ব কৰিবলৈ অনুমতি প্ৰদানৰ অনুৰোধ কৰিব পাৰে যাতে আদালতে বিচাৰৰ পৰৱৰ্তী প্ৰক্ৰিয়ালৈ আগবাঢ়িব পাৰে।

ফৌজদাৰী কাৰ্যবিধি আইন,১৯৭৩,ধাৰা ৩০২- ফৌজদাৰী কাৰ্যবিধি আইন ১৯৭৩, ৩০২ নং ধাৰা- বিচাৰৰ সময়ত অভিযোগকাৰীৰ মৃত্যু - মৃত অভিযোগকাৰীৰ ঠাইত বৈধ উত্তৰাধিকাৰীক স্হান দিবৰ বাবে প্ৰাৰ্থনা -প্ৰাৰ্থনাৰ অনুমতি দিয়া হৈছে - দাখিল কৰা আদেশক প্ৰত্যাহ্বান জনাই পুনৰীক্ষণ আৱেদন – দণ্ডাধীশৰ বিধিৰ অধীনত মৃত অভিযোগকাৰী এজনৰ ঠাইত বিকল্প ৰখাৰ অনুমতি দিয়াৰ ক্ষমতা আছে নে নাই– ৰায়: নহয়।

৫৩.বৰ্তমানৰ গোচৰটোত,এইটো মনত ৰখাটো উচিত যে ফৌজদাৰী কাৰ্যবিধি আইনৰ অধীনত এজন মৃত অভিযোগকাৰীৰ বিকল্পৰ কোনো ব্যৱস্থা নাই, কিন্তু এজন দণ্ডাধীশৰ ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩০২ নং ধাৰাৰ অধীনত যিকোনো এজনক গোচৰ চলাবলৈ অনুমতি দিয়াৰ ক্ষমতা আছে। সেয়েহে, যেতিয়া মৃত অভিযোগকাৰীৰ পুত্ৰ হিচাপে ইয়াৰ বিপৰীত পক্ষই অভিযোগটো অব্যাহত ৰাখিবলৈ আগবাঢ়ি আহিছিল, আদালতৰ ফালৰ পৰা, মৃত অভিযোগকাৰীৰ পুত্ৰক অভিযোগকাৰীক প্ৰতিনিধিত্ব কৰিবলৈ অনুমতি দিয়াত কোনো বাধা নাছিল। যদিও দণ্ডাধীশে মৃত অভিযোগকাৰীৰ ঠাইত অভিযুক্ত-বিপৰীত পক্ষক সলনি কৰিছে,বিবাদিত আদেশটোৱে ফৌজদাৰী

কাৰ্যবিধি আইনৰ ৩০২ নং ধাৰাৰ সন্দৰ্ভত ইয়াৰ বিপৰীত পক্ষক মৃত অভিযোগকাৰীক প্ৰতিনিধিত্ব কৰিবলৈ অনুমতি দিয়াৰ ক্ষেত্ৰত প্ৰভাৱ পেলাইছে।

এই গোচৰটোত উপস্থিত থকা অধিবক্তাঃ

আবেদনকাৰীৰ হৈ কোনো উপস্থিত নাই

শ্ৰীযুত জেদ কামাৰ আৰু এফ এইচ লস্কৰ

উল্লেখিত গোচৰসমূহঃ একাদিক্ৰমে

অজয় কুমাৰ আগৰৱালা বনাম ঝাৰখণ্ড চৰকাৰ, ২০০৩ ক্ৰিমিনেল এল জে ৩০৮৮ (ঝাৰখণ্ড)।

হেলেন চি পিনহেইৰো বনাম কামানি ষ্টীল প্ৰডাক্টচ,২০০০ ক্ৰিমিনেল এল জে১৬২২(ব'ম্বে)

ৰবিচেলভাম বনাম নিলিনী বিজয়া কুমাৰ, ১৯৯৯ (৪) অপৰাধ ২০৯।

এছ'চিয়েটেড চিমেণ্ট কোম্পানী লিমিটেড বনাম কেশৱানন্দ, ১৯৯৮ ক্ৰিমিনেল এলজে ৮৫৬ (এছচি)।

অনিল জি শ্বাহ বনাম জে. চাট্টৰঞ্জন কোং, ১৯৯৮ জিএলজে ৩৮৭০ (গুজৰাট)।

এছ. ৰেড্ডাপ্পা বনাম বিজয়া এম., ১৯৯৭ ক্ৰিমিনেল এলজে ৯৮(কৰ্ণাটক)।

চেমুৱেল থমাছ বনাম উন্নিকৃষ্ণন, ক্ৰিমিনেল এ ২৬৯,১৯৯১ (কেৰালা)

ওম চাৰণ বনাম শ্ৰীমতী সাতভা ধাৱান, ১৯৯০ ক্ৰিমিনেল এলজে ১৬১৯।

অশোক কুমাৰ বনাম আব্দুল লতিফ, ১৯৮৯ ক্ৰিমিনেল এলজে ১৮৫৬ (জম্মু আৰু কাশ্মীৰ)।

মাদ্দিপাট্টা গোবিন্দিয়া নাইডু বনাম য়েলাকৌৰী কমলাম্মা, ১৯৮৪ ক্ৰিমিনেল এলজে ১৩২৬ (এপি)।

চুৰ্বান্না হেগড়ে বনাম দিয়াভাপ্পা গৌড়া, ১৯৮০ ক্রিমিনেল এলজে (কান্ট)।

অশ্বিন নানু ভাই ব্যাস বনাম মহাৰাষ্ট্ৰ চৰকাৰ, ১৯৬৭ ক্রিমিনেল এলজে ৯৪৩(এছচি)।

ৰামদেউ ত্ৰিলোকচান্দ আগৰৱালা বনাম লালু নাথ, এআইআৰ ১৯৩৭ নাগপুৰ ৬৫।

বিধু ভুচান সেন বনাম মফিজুদ্দিন আহমেদ, ৪২ চিডব্লিউএন ১২৬৩।

## ৰায় আৰু আদেশ

১. শ্ৰী ইন্দৰ চান্দ গোয়েঙ্কাই (মৃত)বৰ্তমানৰ আৱেদনকাৰী শ্ৰী কুশল কুমাৰ তালুকদাৰক বিনিয়মযোগ্য দলিল আইন, ১৮৮১ (ইয়াৰ পিছত "এন.আই. আইন" বুলি উল্লেখ কৰা হৈছে)ৰ ১৩৮ৰ লগতে ১৪২নং ধাৰাৰ অধীনত, অভিযুক্ত হিচাপে ৰুজু কৰা গোচৰৰ ওপৰত ভিত্তি কৰি মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত,কামৰূপ গুৱাহাটীত চি.আৰ. গোচৰ নং ৩০০২০/২০০ ত পঞ্জীয়ন কৰা হৈছিল।

২.সময়ত, জাৰি কৰা চমন অনুসৰি, অভিযুক্ত-আবেদনকাৰীয়ে তেওঁৰ অধিবক্তাৰ জৰিয়তে উক্ত অভিযোগৰ গোচৰত উপস্হিত হৈছিল।যিহেতু অভিযোগৰ গোচৰ নং ৩০০২(গ)/২০০০ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত, কামৰূপ, গুৱাহাটীত বিচাৰাধীন হৈ আছিল, অভিযোগকাৰী শ্ৰী ইন্দাৰ চান্দ গোয়েঙ্কাৰ ১৮.৭.২০০০চনত পৰলোকপ্ৰাপ্তি ঘটে আৰু তেওঁৰ একমাত্ৰ পুত্ৰ শ্ৰী চন্দ্ৰ প্ৰসাদ গোয়েঙ্কাই ১৮.৯.২০০০ত তেঁওৰ মৃত পিতৃৰ ঠাইত তেওঁক অভিযোগকাৰী হিচাপে ৰাখিবলৈ এখন আবেদন দাখিল কৰিছিল। এই প্ৰাৰ্থনাটো মহামান্য আদালতে ১৮.৯.২০০০ তাৰিখে প্ৰদান কৰা নিম্নলিখিত আদেশৰ জৰিয়তে গ্ৰহণ কৰিছিল, ইয়াৰ পিছত অভিযুক্ত-আবেদনকাৰীয়ে ফৌজদাৰী কাৰ্যবিধি আইনৰ ২৫৬নং ধাৰাৰ অধীনৰ বিধান মতে তেওঁৰ মুক্তি বা ৰেহাইৰ বাবে এখন আবেদন দাখিল কৰিছিল। এই আবেদনখন ১৩.১১.২০০০তাৰিখে শুনানিৰ বাবে ধাৰ্য্য কৰা হৈছিল কিন্তু সেই দিনাখন অভিযুক্ত-আবেদনকাৰীজন অনুপস্হিত আছিল। যিহেতু অভিযুক্ত-আবেদনকাৰীজন একেৰাহে অনুপস্হিত আছিল, মহামান্য আদালতে

তেওঁৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পাৰোৱানা জাৰি কৰিবলৈ নিৰ্দেশ প্ৰদান কৰি ২২.২.২০০১ তাৰিখে এটা আদেশ জাৰি কৰিছিল।

৩. ইয়াৰ পিছত,অভিযুক্ত-আবেদনকাৰীয়ে বিপৰীত পক্ষ শ্ৰী চন্দ্ৰ প্ৰসাদ গোয়েঙ্কাই তেঁওৰ মৃত পিতৃৰ ঠাইত তেওঁক বৰ্তমানৰ গোচৰটোত অভিযোগকাৰী হিচাপে ৰাখিবলৈ জনোৱা প্ৰাৰ্থনাটো যিটোত ন্যায়ালয়ে ১৮.৯.২০০০ তাৰিখৰ আদেশৰ জৰিয়তে অনুমতি প্ৰদান কৰিছিল আৰু লগতে অভিযুক্ত-আবেদনকাৰীক গ্ৰেপ্তাৰী পাৰোৱানা জাৰি কৰাৰ নিৰ্দেশ দি ২২.২.২০০১তাৰিখে প্ৰদান কৰা আদেশক প্ৰত্যাহ্বান জনোৱাৰ বাবে ফৌজদাৰী কাৰ্যবিধি আইনৰ ৪০১/৩৯৭ ৰ লগতে ৪৮২ নং ধাৰাৰ অধীনত এই আবেদন দাখিল কৰিছিল।

৪.পক্ষসমূহৰ হৈ কোনো উপস্হিত হোৱা নাছিল। তথাপিও, বিজ্ঞ অধিবক্তা শ্ৰী জেদ.কামাৰক নিয়োগ কৰা হৈছিল আৰু আদালতৰ বন্ধু হিচাপে তেওঁৰ মন্তব্য শুনা হৈছিল। লগতে অসম চৰকাৰৰ হৈ উপস্হিত হোৱা অতিৰিক্ত লোক অধিবক্তা শ্ৰী এফ.এইচ.লহকৰৰো যুক্তি শুনিলো।

৫.অভিযুক্ত-আবেদনকাৰীয়ে উত্থাপন কৰা প্ৰশ্নটো হৈছেঃ ওপৰত উল্লেখিত গোচৰত অভিযোগকাৰী হিচাপে মৃতকৰ পুত্ৰক বিপৰীত পক্ষক প্ৰতিস্থাপন কৰা বিবাদিত আদেশটো, যিটো এন.আই. আইনৰ ১৪২ নং ধাৰাৰ সৈতে ১৩৮ নং ধাৰাৰ অধীনত অভিযুক্ত-আবেদনকাৰীৰ বিৰুদ্ধে দাখিল কৰা অভিযোগৰ পৰা উদ্ভৱ হৈছিল, সেই গোচৰটো ফৌজদাৰী কাৰ্যবিধি আইনৰ ২৫৬ নং ধাৰাৰ অধীনত আইনীভাৱে বহনক্ষম নেকি?

৬.উপৰোক্ত প্ৰশ্নটোৱে এটা মূল প্ৰশ্ন আমাৰ বাবে উত্থাপন কৰে আৰু প্ৰশ্নটো হৈছেঃ দণ্ডাধীশৰ ওচৰত দাখিল কৰা এটা অভিযোগ, যিয়ে চমন গোচৰ হিচাপে বিচাৰযোগ্য অপৰাধ সংঘটিত কৰাৰ কথা প্ৰকাশ কৰে, অভিযোগকাৰীৰ মৃত্যুৰ লগে লগে লঘূ হৈ পৰিব নেকি আৰু যদি নহয়, কেতিয়া আৰু কি পৰিস্থিতিত, অভিযোগকাৰীৰ মৃত্যুৰ পিছতো এনে অভিযোগ বিচাৰৰ বাবে অনুমতি দিয়া হ'ব?

৭. এই বিষয় সন্দৰ্ভত বিভিন্ন উচ্চ ন্যায়ালয়ে উপৰোক্ত আইনী দিশটোৰ ওপৰত বিভিন্ন মত আগবঢ়াইছে আৰু লগতে মতামত প্ৰকাশ কৰা হৈছে আৰু লগতে আইনৰ

ওপৰোক্ত দিশটোৰ ওপৰত এই ন্যায়ালয়ৰ কোনো প্ৰতিবেদিত সিদ্ধান্ত এই ন্যায়ালয়ৰ দৃষ্টিগোচৰ কৰিব নোৱাৰি, এই কথাৰ প্ৰতি লক্ষ্য ৰাখি, ওপৰত উত্থাপিত প্ৰশ্নটো নিয়ন্ত্ৰণ কৰা আইনৰ সঠিক স্থিতি নিশ্চিত কৰাটো বাঞ্চনীয়।এই সন্দৰ্ভত, মনত ৰখাটো গুৰুত্বপূৰ্ণ যে চমন গোচৰৰ বিচাৰত, বিচাৰৰ সময়ত অভিযোগকাৰীৰ মৃত্যুৰ ক্ষেত্ৰত ফৌজদাৰী কাৰ্যবিধি আইনৰ ২৫৬ নং ধাৰাটো কাৰ্যকৰী হয়।

৮.উপৰোক্ত প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ যাওঁতে এই কথাটো মনত ৰখাটো উচিত যে, আইনে বাস্তৱ সন্মত ন্যায় প্ৰদানৰ লক্ষ্য ৰাখে। গতিকে, ইয়াৰ ব্যাখ্যাও ন্যায়ৰ গতিপথ আগুৱাই নিয়াৰ লক্ষ্য হ’ব আৰু স্পষ্ট আইনগত উদ্দেশ্যৰ অন্যথা কাৰিকৰী দিশৰ ওপৰত আইনী কাৰ্য্যবিধি ঠেলি দিয়া নহ’ব।

৯.ফৌজদাৰী কাৰ্যবিধি আইনৰ ২৫৬ নং ধাৰাৰ পৰিসৰৰ বিষয়ে বাখ্যা কৰাৰ আগতে, এইটো মন কৰাটো প্ৰয়োজনীয় যে বৰ্তমানৰ ২৫৬ নং ধাৰাটো হৈছে ১৮০৯ চনৰ ফৌজদাৰী কাৰ্যবিধি আইনৰ ২৪৭ নং ধাৰাত অৰ্ন্তভুক্ত কৰা বিভিন্ন বস্তুগত পৰিৱৰ্তনৰ ফলাফল।২৪৭ নং ধাৰাটোৰ পুৰণি বিধি অৰ্থাৎ ১৮০৯ চনৰ ফৌজদাৰী কাৰ্যবিধি আইনত তলত দিয়া ধৰণৰ আছিলঃ

‘’২৪৭ নং ধাৰা. অভিযোগকাৰীৰ অনুপস্হিতি- যদি অভিযোগকাৰীৰ প্ৰতি চমন জাৰি কৰা হয়, আৰু যদি অভিযোগকাৰী উপস্হিত হ’বলগীয়া তাৰিখত বা তাৰ পিছৰ এনে কোনো তাৰিখ যিটো তাৰিখলৈ শুনানি পিছুৱাই ৰখা হয়,সেই তাৰিখত অভিযোগকাৰী যদি উপস্হিত নহয়, তেন্তে ইয়াৰ পূৰ্বতে যিয়েই উল্লেখ কৰা নহওক কিয়, মাননীয় দণ্ডাধীশ মহোদয়ে অভিযুক্তক ৰেহাই প্ৰদান কৰিব পাৰে যদিহে তেওঁ কিবা কাৰণত সেই গোচৰৰ শুনানিৰ তাৰিখটো আন এটা দিনলৈ স্হগিত ৰখাটো ঠিক বুলি নাভাৱেঃ

যদি অভিযোগকাৰীজন এজন চৰকাৰী কৰ্মচাৰী হয় আৰু যদি তেওঁ ব্যক্তিগতভাৱে উপস্হিত থকাটো প্ৰয়োজনীয় নহয়, মাননীয় দণ্ডাধীশজনে তেওঁৰ উপস্থিতি অবিহনেই গোচৰটো আগবঢ়াব পাৰে।"

১০.১৯৫৫ চনৰ ২৬নং সংশোধনী আইনৰ মতে, ২৪৭ নং ধাৰাৰ ক্ষেত্ৰত উপৰোক্ত বিধিটো এনেধৰণে সংশোধন কৰা হৈছিলঃ

যদি অভিযোগকাৰীজন এজন চৰকাৰী কৰ্মচাৰী হয় আৰু যদি তেওঁ ব্যক্তিগতভাৱে উপস্হিত থকাটো প্ৰয়োজনীয় নহয়, মাননীয় দণ্ডাধীশজনে তেওঁৰ উপস্থিতিৰ অবিহনে গোচৰটো আগবঢ়াব পাৰে।"

১১.ফৌজদাৰী কাৰ্যবিধি আইনৰ ২৪৭ নং ধাৰাৰ মূলভাৱটো অধ্যয়নৰ পৰা আৰু ১৯৫৫ চনৰ ২৬নং সংশোধনী আইনৰ পিছত এইটো স্পষ্ট হয় যে ২৪৭ নং ধাৰাৰ বিধিসমূহৰহে কেৱল কিছুমান পৰিৱৰ্তন হৈছে।

১২.২৪৭ নং ধাৰাটো ভালদৰে অধ্যয়ন কৰিলে দেখা পোৱা যায় যে ১৮০৯ চনৰ ফৌজদাৰী কাৰ্যবিধি আইনত এই ধাৰাটোত অভিযোগকাৰীৰ অনুপস্হিতিৰ পৰিণামৰ কথাহে উল্লেখ আছে, অভিযোগকাৰীৰ মৃত্যু সম্পৰ্কে স্পষ্টভাৱে নাই আৰু নিৰ্ধাৰণ কৰে যে যদি এজন অভিযোগকাৰীৰ ওপৰত চমন জাৰি কৰা হয় আৰু যদি অভিযুক্ত উপস্হিত হ'বলগীয়া তাৰিখত বা তাৰ পিছৰ এনে কোনো তাৰিখ যিটো তাৰিখলৈ শুনানি পিছুৱাই ৰখা হয়,সেই তাৰিখত অভিযোগকাৰী যদি উপস্হিত নহয়, তেন্তে ইয়াৰ পূৰ্বতে যিয়েই উল্লেখ কৰা নহওক কিয়, মাননীয় দণ্ডাধীশ মহোদয়ে অভিযুক্তক ৰেহাই প্ৰদান কৰিব পাৰে যদিহে তেওঁ কিবা কাৰণত সেই গোচৰৰ শুনানিৰ তাৰিখটো আন এটা দিনলৈ স্হগিত ৰখাটো সঠিক বুলি নাভাৱে।

১৩.২৪৭নং ধাৰাৰ উপৰোক্ত কথাখিনিৰ পৰা এইটোও অনুমান কৰিব পাৰি যে অভিযুক্তক উপস্থিতিৰ বাবে চমন জাৰি কৰাৰ পিছত অভিযোগকাৰীৰ উপস্থিত নোহোৱাৰ কথাটো বৰ্ণনা কৰা হৈছিল। অৰ্থাৎ, ২৪৭নং ধাৰাই এইটো পৰিস্হিতি সম্পৰ্কে ধাৰণা কৰে যে যেতিয়া দণ্ডাধীশৰ দ্বাৰা ইতিমধ্যে অপৰাধৰ সংজ্ঞান লয় আৰু অভিযুক্তৰ সেই সময়ত বা তাৰ পিছত যিকোনো সময়ত উপস্থিতিৰ বাবে প্ৰক্ৰিয়াটো আৰম্ভ কৰা হৈছিল আৰু নিৰ্ধাৰণ কৰা হৈছিল যে যদি অভিযোগকাৰী উপস্থিত নহয়, দণ্ডাধীশে অভিযুক্তক অব্যাহতি দিবলৈ বাধ্য আছিল, যদিহে কিবা কাৰণত তেওঁ গোচৰটোৰ শুনানি আন কোনো দিনলৈ স্থগিত ৰখাটো উচিত বুলি নাভাৱে।

১৪. ২৪৭নং ধাৰাটোৰ বিধিটোত মূলতে, অৰ্থাৎ ১৯৫৫ চনৰ ২৬নং সংশোধনী আইন দ্বাৰা পৰিৱৰ্তন হোৱাৰ আগতে, উল্লেখ কৰা হৈছিল যে যদি অভিযোগকাৰী এজন চৰকাৰী কৰ্মচাৰী আছিল আৰু তেওঁৰ ব্যক্তিগত উপস্থিতিৰ প্ৰয়োজন নাছিল, দণ্ডাধীশক

তেওঁৰ উপস্থিতিৰ অবিহনেই গোচৰটো আগবঢ়াই নিবলৈ ক্ষমতা দিয়া হৈছিল। ১৯৫৫ চনৰ সংশোধনী আইনৰ দ্বাৰা ইয়াত উত্থাপন কৰা সংশোধনীৰ দ্বাৰা এই বিধানৰ পৰিসৰ বহল কৰা হৈছিল,আনহাতে দণ্ডাধীশে পুৰণি বিধানৰ অধীনত যদি অভিযোগকাৰীজন চৰকাৰী কৰ্মচাৰী হয় আৰু যদি তেওঁৰ ব্যক্তিগত উপস্থিতিৰ প্ৰয়োজন নহয়,তেন্তে অভিযোগকাৰীৰ উপস্থিতি অবিহনেই তেওঁ গোচৰটো আগবঢ়াই নিব পাৰিলেহেঁতেন, বিধানটোৰ সংশোধনীয়ে দণ্ডাধীশক কেৱল অভিযোগকাৰীজন চৰকাৰী কৰ্মচাৰী হোৱাৰ ক্ষেত্ৰতে নহয়, তেওঁ চৰকাৰী কৰ্মচাৰী ন'হলেও তেওঁৰ উপস্হিতি অবিহনেই গোচৰ চলাই নিয়াৰ ক্ষমতা প্ৰদান কৰে। এনে ক্ষমতা প্ৰয়োগ কৰাৰ ক্ষেত্ৰত পূৰ্বচৰ্ত হৈছে যে দণ্ডাধীশে এই মত পোষণ কৰিব লাগিব যে অভিযোগকাৰীজনৰ উপস্হিতি প্ৰয়োজনীয় নাছিল।

১৫. ওপৰোক্ত আলোচনাৰ পৰা এইটো উদ্ভৱ হয় যে যদি বিধানটো বাদ দিয়া হয়, ১৮০৯ চনৰ ফৌজদাৰী কাৰ্যবিধিৰ ২৪৭ নং ধাৰাত দণ্ডাধীশক ক্ষমতা প্ৰদান কৰা হৈছিল যে যদি অভিযুক্তৰ উপস্হিতিৰ বাবে চমন জাৰী কৰা হৈছে,তাৰ কোনো পিছৰ দিনলৈ যদি গোচৰটোৰ শুনানি স্থগিত ৰখাটো তেওঁ সঠিক বুলি ভাৱে। কিন্তু এই বিধানটোৱে কেৱল গোচৰটোৰ শুনানি স্থগিত ৰখাৰ ক্ষমতাৰ ক্ষেত্ৰত এক ব্যতিক্ৰমৰ সূচনা কৰিছিল আৰু যদি অভিযোগকাৰীজন এজন চৰকাৰী কৰ্মচাৰী হয় আৰু দণ্ডাধীশৰ মত অনুসৰি,তেওঁৰ উপস্হিতি প্ৰয়োজনীয় নহয়,তেন্তে অভিযোগকাৰীৰ উপস্থিতি অবিহনে সম্পূৰ্ণৰূপে গোচৰ প্ৰক্ৰিয়া চলাই নিবলৈ দণ্ডাধীশক ক্ষমতা প্ৰদান কৰিছিল।১৯৫৫ চনৰ ২৬নং সংশোধনী আইনখনৰ দ্বাৰা বিধানটোৱে দণ্ডাধীশৰ ক্ষমতাৰ পৰিসৰ বহল কৰিছিল আৰু এইটো নিৰ্ধাৰণ কৰিছিল যে দণ্ডাধীশৰ মত অনুসৰি,যদি অভিয়োগকাৰীৰ উপস্হিতি প্ৰয়োজনীয় নহয়, তেন্তে অভিযোগকাৰীৰ উপস্থিতি অবিহনে সম্পূৰ্ণৰূপে গোচৰ প্ৰক্ৰিয়া চলাই নিব পাৰে লাগিলে তেওঁ চৰকাৰী কৰ্মচাৰী হওঁক বা নহওঁক।

১৬.যিহেতু উচ্চ ন্যায়ালয়সমূহে চমন প্ৰক্ৰিয়া জড়িত থকা গোচৰত অভিযোগকাৰীৰ মৃত্যুৱে প্ৰক্ৰিয়াটো সম্পূৰ্ণৰূপে অন্ত পেলাব নেকি সেই কথা লৈ বিভিন্ন মত পোষণ কৰিছে,আইন আয়োগে ইয়াৰ ৪১ নং প্ৰতিবেদনত লক্ষ্য কৰিছে আৰু তলত দিয়া ধৰণে পৰামৰ্শ প্ৰদান কৰিছিল যেঃ

''এটা প্ৰশ্ন উত্থাপন হয় যে অভিযোগকাৰীৰ মৃত্যুয়ে চমন গোচৰত গোচৰ প্ৰক্ৰিয়া সমাপ্ত কৰে নেকি আৰু আমি দেখিছোঁ যে এই প্ৰশ্নটোৰ ওপৰত বিভিন্ন মতামত প্ৰকাশ কৰা হৈছে। নীতিৰ বিষয় হিচাপে, আমি ভাবো গোচৰটোৰ প্ৰকৃতি আৰু গোচৰটোৰ যিটো পৰ্যায়ত অভিযোগকাৰীৰ মৃত্যু ঘটে তাৰ ওপৰত উত্তৰটো নিৰ্ভৰ কৰিব লাগে। উদ্ভৱ হ'ব পৰা বিভিন্ন পৰিস্থিতিৰ সবিশেষ বৰ্ণনা আৰু গুৰুত্ব প্ৰদান কৰিবলগীয়া দিশসমূহৰ বিৱৰণ দিয়াটো অপ্ৰয়োজনীয়। আমি ভাবো, পৰিস্হিতি সাপেক্ষে ন্যায়ালয়ৰ ন্যায়িক বিবেচনাৰ ওপৰত সিদ্ধান্তটো এৰি দিব লাগে আৰু আইনী ব্যৱস্থাটোত মৃত্যু আৰু অনুপস্থিতিৰ বিষয়টো একেধৰণে চাব লাগে।এইটো বাস্তৱত অতি সন্তোষজনকভাৱে প্ৰয়োগ হ’ব বুলি বিশ্বাস কৰিব পাৰি।

১৭. আইন আয়োগৰ ওপৰোক্ত পৰ্যৱেক্ষণ আৰু পৰামৰ্শসমূহে স্পষ্টভাৱে ইংগিত দিয়ে যে আইন আয়োগে এনে এক পৰিস্থিতিৰ সন্মুখীন হোৱাৰ পিছত য'ত উচ্চ ন্যায়ালয়ে অভিযোগকাৰীৰ মৃত্যুয়ে চমন গোচৰত গোচৰ প্ৰক্ৰিয়াটো সমাপ্ত কৰে নে নাই সেই প্ৰশ্নটোৰ ওপৰত বিতৰ্কিত মন্তব্য প্ৰকাশ কৰিছিল, তেনে ক্ষেত্ৰত উপলব্ধি কৰিছিল যে এই প্ৰশ্নটোৰ উত্তৰ প্ৰকৃততে গোচৰটোৰ প্ৰকৃতি আৰু গোচৰৰ পৰ্যায়ৰ ওপৰত নিৰ্ভৰ কৰিব আৰু যিহেতু অভিযোগটো আগবাঢ়িব নে নাই সেই প্ৰশ্নটো উদ্ভৱ হোৱা সকলো পৰিস্হিতিৰে বৰ্ণনা কৰা সম্ভৱ নহয়, তাৰ বাবে, আইন আয়োগে পৰামৰ্শ দিছিল যে আইনত এনে ইংগিত প্ৰদানৰ বাবে ব্যৱস্হাৰ সৃষ্টি কৰিব লাগে যে অভিযোগকাৰীৰ মৃত্যুৰ বাবে অনুপস্থিতি আৰু আন কিবা কাৰণত অনুপস্হিত থকাটো একে পৰ্যায়ৰে হয়। চমুকৈ, আইন আয়োগৰ দৃষ্টিভংগী আছিল যে তেওঁৰ অভিযোগকাৰীৰ মৃত্যু আৰু মৃত্যুৰ বাহিৰে আন কাৰণত তেওঁৰ অনুপস্থিতিৰ মাজত কোনো পাৰ্থক্য নাই।

১৮. যি কি নহওক, উপৰোক্ত পৰামৰ্শাৱলীৰ স্বত্বেও,২৫৬নং ধাৰা, যিটো অৱশেষত ফৌজদাৰী কাৰ্য বিধি, ১৯৭৩-ৰ অধীনত উদ্ভৱ হৈছিল, সেইয়া তলত দিয়া ধৰণৰঃ

"২৫৬. অভিযোগকাৰীৰ অনুপস্থিতি বা মৃত্যু —(১) যদি অভিযোগৰ ভিত্তিত চমন জাৰী কৰা হৈছে, আৰু অভিযুক্তৰ হাজিৰ হোৱাৰ ধাৰ্য কৰা দিনটোত, বা তাৰ পিছৰ যিকোনো দিন যিটো দিনলৈ শুনানি স্থগিত কৰা হ'ব পাৰে, যদি অভিযোগকাৰী

উপস্থিত নহয়, দণ্ডাধীশে ইয়াৰ আগতে উল্লেখিত দিশসমূহৰ স্বত্বেও অভিযুক্তক অব্যাহতি দিব, যদিহে কোনো কাৰণত তেওঁ গোচৰটোৰ শুনানি আন কোনো দিনলৈ স্থগিত ৰখাটো উচিত বুলি নাভাবে:

যে যদিহে অভিযোগকাৰীক এজন অধিবক্তাই বা অভিযোজন পৰিচালনা কৰা বিষয়াৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হয় বা য'ত দণ্ডাধীশৰ মতামত আছে যে অভিযোগকাৰীৰ ব্যক্তিগত উপস্থিতি প্ৰয়োজন নহয়,দণ্ডাধীশে তেওঁৰ উপস্থিতি অবিহনে গোচৰটো আগবঢ়াই নিব পাৰে।

(২) নং উপ-ধাৰাৰ (১) বিধানসমূহ যিমান দূৰ সম্ভৱ অভিযোগকাৰীৰ মৃত্যুৰ বাবে উপস্থিত নোহোৱা ক্ষেত্ৰতো প্ৰযোজ্য হ'ব।"

যে ২৫৬ নং ধাৰাৰ মূলভাৱটো অধ্যয়ন কৰিলে,এইটো স্পষ্টভাৱে প্ৰকাশ পাইছে যে ২৪৭নং ধাৰাৰ দৰে ২৫৬ নং ধাৰাটোও দণ্ডাধীশৰ দ্বাৰা জ্ঞাত হোৱাৰ পিছত প্ৰযোজ্য হয় আৰু ইতিমধ্যে অভিযুক্তক চমন জাৰি কৰা হয়। সেয়েহে, ২৫৬নং ধাৰাটো এনে এটা গোচৰত প্ৰযোজ্য নহয় য'ত অভিযোগকাৰীৰ বিষয়ে জ্ঞান লোৱাৰ আগতেই মৃত্যু হয় আৰু চমন জাৰি কৰা হয়।

২০.২৫৬নং ধাৰাটো ভালদৰে অধ্যয়ন কৰিলে,১৯৭৩ চনৰ ফৌজদাৰী কাৰ্যবিধি আইনত যিদৰে উল্লেখ আছে সেই অনুসৰি এই ধাৰাটো অভিযোগকাৰীৰ মৃত্যু বা আন কোনো কাৰণত হোৱা অনুপস্হিতিৰ পৰিণতিৰ লগত সম্পৰ্কিত।অৱশ্যে, অভিযোগকাৰীৰ মৃত্যুয়ে চমন গোচৰত এজন অভিযুক্তৰ বিচাৰৰ সম্পূৰ্ণ সমাপ্তি ঘটাব নেকি আৰু দণ্ডাধীশক ৰেহাই দিবলৈ বাধ্য কৰিব নেকি বা মৃত অভিযোগকাৰীজনৰ হৈ আন এজনক প্ৰতিনিধিত্ব কৰিবলৈ অনুমতি দিয়াৰ ক্ষমতা দণ্ডাধীশৰ আছে নেকি সেই প্ৰশ্নৰ উত্তৰ দিয়াৰ আগতে;এইটো মনত ৰখাটো অতি প্ৰয়োজনীয় যে ২৫৬ নং ধাৰাৰ উপ ধাৰা (২)টোৱে অভিযোগকাৰীৰ মৃত্যুৰ বাবে হোৱা অনুপস্হিতিৰ গোচৰ সন্দৰ্ভত ২৫৬নং ধাৰা(১) নং উপধাৰটোৰ প্ৰয়োগৰ সুবিধা ৰাখে। সেয়েহে, ২৫৬ নং ধাৰাৰ (২) নং উপ-ধাৰাই প্ৰকৃততে কি নিৰ্ধাৰণ কৰে সেই বিষয়ে আলোচনা কৰাৰ আগতে,২৫৬ নং ধাৰাৰ পৰিসৰৰ বিষয়ে সঠিকভাৱে জনাৰ উদ্দেশ্যে,২৫৬নং ধাৰাৰ (১) নং উপধাৰা আৰু ইয়াৰ বিধানসমূহৰ ১৮০৯ চনৰ ফৌজদাৰী কাৰ্যবিধি আইনৰ

পৰা ১৯৭৩ চনৰ ফৌজদাৰী কাৰ্যবিধি আইনত কি কি পৰিৱৰ্তন আহিল সেইটো বিবেচনা কৰাটো অত্যাৱশ্যকীয়।

২১.২৪৭নং ধাৰা আৰু ২৫৬ নং ধাৰাৰ তুলনাৰ পৰা, যদি অভিযোগৰ ওপৰত চমন জাৰি কৰা হৈছিল, আৰু অভিযুক্তৰ উপস্থিতিৰ বাবে ধাৰ্য কৰা দিনটো বা শুনানি স্থগিত কৰা আন যিকোনো দিনত ইয়াত পূৰ্বতে আন উল্লেখ থাকিলেও দণ্ডাধীশে অভিযুক্তক ৰেহাই প্ৰদান কৰিব পাৰে যদিহে তেওঁ অন্য এটা দিনলৈ শুনানি স্হগিত ৰখাটো উচিত বুলি ভাৱে।

২২. যি কি নহওক, ২৪৭ নং ধাৰাৰ বিধানসমূহ পিছত ১৯৫৫ চনৰ ২৬ নং সংশোধনীত উল্লেখ কৰা মতে যদি দণ্ডাধীশজনে মত প্ৰকাশ কৰে যে অভিযোগকাৰীজনৰ যদি ব্যক্তিগত উপস্হিতি প্ৰয়োজনীয় নহয়,তেন্তে অভিযোগকাৰীৰ উপস্থিতি অবিহনে সম্পূৰ্ণৰূপে গোচৰ প্ৰক্ৰিয়া চলাই নিবলৈ দণ্ডাধীশক ক্ষমতা প্ৰদান কৰা হয়।২৫০ নং ধাৰাৰ বিধানসমূহে ২৫৬ (১) নং ধাৰাৰ প্ৰয়োগৰ পৰিসৰটো আৰু অধিক বহল কৰি তুলিছে আৰু অভিযোগকাৰীৰ উপস্হিতি অবিহনে গোচৰ প্ৰক্ৰিয়া চলাই নিয়াৰ ক্ষেত্ৰতে নহয়, ইয়াৰ লগতে যদি অভিযোগকাৰীজন এজন অধিবক্তা বা গোচৰ প্ৰক্ৰিয়া এজন চৰকাৰী বিষয়াৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হয়।

২৩.ওপৰত কৰা আলোচনাৰ পৰা সামগ্ৰিকভাৱে দেখা যায় যে, আৰম্ভণিতে,২৪৭ নং ধাৰাৰ বিধানসমূহ ১৮০৯ চনৰ ফৌজদাৰী কাৰ্যবিধি আইনত সন্নিৱিষ্ট থকা অনুসৰি কেৱল অভিযোগকাৰী চৰকাৰী কৰ্মচাৰী হোৱাৰ ক্ষেত্ৰতহে তেওঁৰ ব্যক্তিগত উপস্থিতিৰ বিবেচনাৰ দায়িত্ব দণ্ডাধীশৰ হাতত ন্যস্ত কৰা হৈছিল আৰু দণ্ডাধীশৰ অভিমত আছিল যে চৰকাৰী কৰ্মচাৰীৰ ব্যক্তিগত উপস্থিতিৰ প্ৰয়োজন নাই। ১৯৫৫ চনত সংশোধন কৰা ২৪৭নং ধাৰাৰ বিধান অনুসৰি দণ্ডাধীশৰ এই ক্ষমতা বৃদ্ধি কৰি তোলা হৈছিল আৰু অভিযোগকাৰীজন চৰকাৰী কৰ্মচাৰী হওক বা নহওক,সেই সন্দৰ্ভত দণ্ডাধীশে অভিযোগকাৰীৰ ব্যক্তিগত উপস্থিতি সন্দৰ্ভত বিবেচনা কৰিব পাৰিছিল। অৱশ্যে, এই ক্ষেত্ৰত একমাত্ৰ সীমাবদ্ধতা হৈছে যে দণ্ডাধীশে এনে ক্ষমতা প্ৰয়োগ কৰাৰ আগতে এই মত প্ৰকাশ কৰিব লাগিব, যে গোচৰটোৰ তথ্য আৰু পৰিস্থিতি অনুসৰি, অভিযোগকাৰীৰ ব্যক্তিগত উপস্থিতিৰ প্ৰয়োজন নাই।২৫৬(১) নং ধাৰাৰ বিধানে দণ্ডাধীশৰ হাতত ন্যস্ত ক্ষমতাক অধিক বৃদ্ধি কৰি এইটো স্পষ্ট কৰি দিয়ে যে দণ্ডাধীশে

অভিযোগকাৰীৰ ব্যক্তিগত উপস্থিতি অবিহনে গোচৰ চলাই নিব পাৰে সেইয়া কেৱল অভিযোগকাৰীৰ উপস্হিতি প্ৰয়োজনীয় নহয় বুলি দণ্ডাধীশে মত প্ৰকাশ কৰাৰ ক্ষেত্ৰতে নহয়, ইয়াৰ লগতে যদি অভিযোগকাৰীজনক এজন অধিবক্তাই বা গোচৰ প্ৰক্ৰিয়াটোত এজন চৰকাৰী বিষয়াই প্ৰতিনিধিত্ব কৰে, তেনে ক্ষেত্ৰতো অভিযোগকাৰীৰ ব্যক্তিগত উপস্থিতি অবিহনে গোচৰ চলাই নিব পাৰে।

২৪. সেয়েহে, স্বাভাৱিকতে, এইটো প্ৰশ্নৰ উদ্ভৱ হয়: চমন বিচাৰযোগ্য গোচৰৰ ক্ষেত্ৰত য'ত অভিযোগকাৰীক এজন অধিবক্তাৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হয়, আৰু য'ত অভিযোগকাৰীক অভিযোজন পৰিচালনা কৰা এজন বিষয়াই প্ৰতিনিধিত্ব কৰে,তেনে ক্ষেত্ৰত কিবা পাৰ্থক্য আছে নেকি?

২৫.ওপৰৰ প্ৰশ্নটোৰ উত্তৰ বিচাৰোতে মোক ফৌজদাৰী কাৰ্যবিধিৰ ২(কিউ) নং ধাৰাটোত লৈ আহে য’ত “প্লিডাৰ” শব্দটোক এইদৰে সংজ্ঞা প্ৰদান কৰা হয় যে যেতিয়া আদালতৰ যিকোনো কাৰ্য্যবিধিৰ প্ৰসংগত “প্লিডাৰ” শব্দটো ব্যৱহাৰ কৰা হয় ইয়াৰ অৰ্থ হ’ল কোনো আইনৰ দ্বাৰা বা আইনৰ অধীনত, বৰ্তমান আদালতত উকালতি কৰিবলৈ অনুমোদিত ব্যক্তি, আৰু লগতে যিকোনো এনে আইনী প্ৰক্ৰিয়াত জড়িত হ’বলৈ আদালতৰ অনুমতি সাপেক্ষে নিযুক্তি প্ৰাপ্ত ব্যক্তি।

২৬.ফৌজদাৰী কাৰ্যবিধিৰ ২(কিউ) নং ধাৰাটোৰ সূক্ষ্মভাৱে কৰা অধ্যয়নৰ পৰা এইটো স্পষ্ট হয় যে “প্লিডাৰ” বুলি ক’লে এনে এজন ব্যক্তিৰ কথা বুজোৱা হয় যে যিজন ব্যক্তিৰ অধিবক্তা হিচাপে কাম কৰিবলৈ কৰ্তৃত্ব থাকে বা আইনী প্ৰক্ৰিয়াত জড়িত হ’বলৈ আদালতৰ অনুমতি সাপেক্ষে নিযুক্তি প্ৰাপ্ত ব্যক্তি।২৪নং ধাৰাৰ লগতে ২৫নং ধাৰাটো লোক অধিবক্তা, অতিৰিক্ত লোক অধিবক্তা, সহকাৰী লোক অধিবক্তাৰ নিযুক্তিৰ সৈতে সম্পৰ্কিত।২৪নং (১) ধাৰাই এইটো স্পষ্ট কৰে যে বিচাৰ, আপীল আদি চলোৱাৰ বাবে লোক অধিবক্তা, অতিৰিক্ত লোক অধিবক্তাক নিযুক্তি প্ৰদান কৰা হয় আৰু ধাৰা ২৫(১)ত স্পষ্টকৈ কোৱা হৈছে যে সহকাৰী লোক অধিবক্তাক “দণ্ডাধীশৰ আদালতত বিচাৰ চলোৱাৰ বাবে”নিযুক্তি প্ৰদান কৰা হয়।ইয়াক বাদ দি, ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩০১নং ধাৰাত দেখুওৱা হৈছে যে যিকোনো এজন ব্যক্তিয়ে আদালতত এজন ব্যক্তিৰ হৈ গোচৰ চলাবলৈ এজন অধিবক্তাক পৰামৰ্শ দিব পাৰে, তথাপি এজন অধিবক্তাক পৰামৰ্শ প্ৰদান কৰিলেও, তেওঁ গোচৰৰ দায়িত্বত থকা

আৰু গোচৰ প্ৰক্ৰিয়াৰ লগত জড়িত থকা লোক অধিবক্তা বা অতিৰিক্ত লোক অধিবক্তাৰ নিৰ্দেশমতে কাম কৰে। ইয়াৰ লগতে, ফৌজদাৰী কাৰ্যবিধিৰ ৩০১ নং ধাৰাত দেখুওৱা হৈছে যে কোনো গোচৰৰ দায়িত্বত থকা লোক অধিবক্তা বা সহকাৰী লোক অধিবক্তাই কোনো কৰ্তৃত্ব অবিহনে যিখন আদালতত বিচাৰ বা আপীল চলি আছে, সেই আদালতত হাজিৰ হ'ব পাৰে আৰু আবেদন কৰিব পাৰে। মই অৱশ্যে তাত যোগ দিব বিচাৰো যে যদিও ফৌজদাৰী কাৰ্যবিধিৰ ৩০২নং ধাৰাই দণ্ডাধীশসকলক যিকোনো ব্যক্তিক বিচাৰ চলাবলৈ অনুমতি দিয়াৰ ক্ষমতা প্ৰদান কৰে, সত্যটো হ'ল যে যদি কোনো অভিযোগকাৰীৰ অধিবক্তা হিচাপে বিচাৰ চলাবলৈ আগবাঢ়ি আহে, তেন্তে অধিবক্তাজনৰ নিযুক্তি সেইদিনালৈকে থাকিব লাগিব যিদিনাখন তেওঁক অধিবক্তা হিচাপে হাজিৰ হ'বলৈ অনুমতি দিয়া হ'ব ।

২৭. সেয়েহে, ফৌজদাৰী কাৰ্যবিধি আইনে দেখুৱাইছে যে এজন ব্যক্তিগত ব্যক্তিৰ দ্বাৰা নিযুক্ত এজন অধিবক্তা আৰু এজন ব্যক্তি, যাক ফৌজদাৰী কাৰ্যবিধি আইনৰ ২৪ আৰু ২৫নং ধাৰা অনুযায়ী ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এটা নিৰ্দিষ্ট গোচৰ চলোৱাৰ বাবে লোক অধিবক্তা হিচাপে নিযুক্ত কৰা হয়,তেওঁলোকৰ মাজত পাৰ্থক্য আছে।

২৮.বিষয়টোৰ ওপৰোক্ত দিশবোৰৰ প্ৰতি লক্ষ্য ৰাখি, যেতিয়া মই ২৫৬ (১) নং ধাৰাৰ বিধানটোলৈ ঘূৰি যাওঁ, এইটো যথেষ্ট পৰিমাণে স্পষ্ট হৈ পৰে যে এই বিধানটো দুয়োটা আকস্মিক পৰিস্থিতিৰ সৈতে সম্পৰ্কিত, সেইয়া হৈছে যেতিয়া এজন অভিযোগকাৰীক এজন অধিবক্তাই প্ৰতিনিধিত্ব কৰে আৰু লগতে যেতিয়া অভিযোগকাৰী এজনক গোচৰ পৰিচালনা কৰা বিষয়াই প্ৰতিনিধিত্ব কৰে।যদিও প্ৰথম দিশটোৱে ইংগিত দিয়ে যে অভিযোগ দাখিল কৰা অভিযোগকাৰী এজন নিৰ্দিষ্ট ব্যক্তি আৰু তেওঁৰ নিজৰ অধিবক্তাৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হৈছে, পিছৰটোৱে দেখুৱায় যে অভিযোগটো প্ৰথম বিধানৰ ১৯০(১) (ক) নং ধাৰাটোৰ সৈতে দফা (ক) পৰা ফৌজদাৰী কাৰ্যবিধি আইনৰ ২০০ নং ধাৰা অনুযায়ী দাখিল কৰা হৈছে আৰু এজন চৰকাৰী বিষয়াই গোচৰ চলাই আছে।

২৯. এইটোও মন কৰিব লাগে যে ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৯০ নং ধাৰাৰ অধীনত এজন দণ্ডাধীশে যিকোনো অপৰাধৰ প্ৰতি লক্ষ্য ৰাখিব পাৰে - (ক)এনে অপৰাধ সংঘটিত হোৱাৰ অভিযোগ প্ৰাপ্ত কৰাৰ পিছত, (খ) এনে ঘটনাৰ আৰক্ষী

প্ৰতিবেদনৰ ওপৰত, (গ) আৰক্ষী বিষয়াৰ বাহিৰে আন যিকোনো ব্যক্তিৰ পৰা প্ৰাপ্ত তথ্যৰ ওপৰত বা তেওঁৰ নিজে গম পোৱাৰ ভিতৰত এনে ধৰণৰ অপৰাধ সংঘটিত হৈছে। অৱশ্যে, যেতিয়া অভিযোগটো এজন চৰকাৰী কৰ্মচাৰীয়ে তেওঁৰ চৰকাৰী কৰ্তব্য পালন কৰাৰ উদ্দেশ্যে দাখিল কৰে, দণ্ডাধীশে এনে অভিযোগৰ অপৰাধৰ ওপৰত গুৰুত্ব আৰোপ কৰি, ফৌজদাৰী কাৰ্যবিধি আইনৰ ২০০ নং ধাৰাৰ প্ৰথম বিধানৰ (ক)অনুযায়ী অভিযোগকাৰী আৰু সাক্ষীসকলক পৰীক্ষা কৰাৰ প্ৰয়োজন নাই,লগতে ফৌজদাৰী কাৰ্যবিধি আইনৰ ২০২ নং ধাৰা অনুযায়ী অভিযুক্তৰ ওপৰত ব্যৱস্হা লব পাৰিনে নোৱাৰি সেই বিষয়ে সিদ্ধান্ত লোৱাৰ উদ্দেশ্যে অনুসন্ধান কৰাৰ কোনো প্ৰয়োজন নাই, অৱশ্যে, দণ্ডাধীশজন এইটো কথাত সন্তুষ্ট হ'ব লাগিব যে অভিযোগৰ বিৱৰণ অনুসৰি অভিযুক্তজনে অপৰাধ সংঘটিত কৰাটো প্ৰকাশ নকৰে।

৩০.ধাৰা ২৫৬ৰ উপ-ধাৰা (২)লৈ ঘূৰি চালে, মন কৰাটো দৰকাৰী যে উপ-ধাৰা(২)-এ কেৱল উল্লেখ কৰিছে যে ধাৰা ২৫৬ৰ উপ-ধাৰা (১)ৰ বিধানসমূহ, যিমানদূৰ সম্ভৱ, সেইসমূহ গোচৰতো প্ৰযোজ্য হ'ব য'ত অভিযোগকাৰীৰ হাজিৰ নোহোৱাৰ কাৰণ তেওঁৰ মৃত্যু হয়।

৩১.গতিকে প্ৰশ্নটো হ'ল যে ধাৰা ২৫৬ৰ উপ-ধাৰা (১)বিধানসমূহ কিমান দূৰলৈকে প্ৰয়োগ কৰিব পাৰি, য'ত অভিযোগকাৰীজন তেওঁৰ মৃত্যুৰ বাবে অনুপস্থিত আৰু এই ক্ষেত্ৰত ২৫৬নং ধাৰাৰ (২) নং উপধাৰাটো ২৫৬নং ধাৰাৰ (১)নং উপ-ধাৰাৰ পৰা কিমান পৃথক?

৩২.বিষয়টোৰ ওপৰোক্ত দিশটো বিবেচনা কৰোঁতে, এইটো লক্ষ্য কৰা উচিত যে ২৫৬ নং ধাৰাৰ উপ-ধাৰা(২)ৰ ক্ষেত্ৰত হোৱা "যিমান দূৰ সম্ভৱ" অভিব্যক্তিটো যথেষ্ট গুৰুত্বপূৰ্ণ, কিয়নো, এনেদৰে ব্যৱহৃত অভিব্যক্তিটোৱে স্পষ্ট কৰে যে ২৫৬নং ধাৰাৰ উপ-ধাৰা(১)ৰ বিধানসমূহে, বিভিন্ন চৰ্ত নিৰ্ধাৰণ কৰে আৰু ইয়াৰ ভিতৰত মৃত্যুৰ বাহিৰে আন কাৰণত অভিযোগকাৰী অনুপস্হিত থকাটোৱে অভিযুক্তক দোষমুক্ত নকৰিবও পাৰে আনকি অভিযোগকাৰীৰ অনুপস্থিতিৰ কাৰণ তেওঁৰ মৃত্যু হোৱাৰ ক্ষেত্ৰতো এই চৰ্ত যিমান সম্ভৱ প্ৰয়োগ কৰা নহ'ব পাৰে। অৰ্থাৎ, ২৫৬(১)নং ধাৰাৰ আৰু ইয়াৰ বিধানসমূহ এটা গোচৰত সম্পূৰ্ণৰূপে প্ৰযোজ্য নহয়, য'ত চমন গোচৰত অভিযুক্তক চমন জাৰি কৰাৰ পিছত অভিযোগকাৰীৰ মৃত্যু হয়।

৩৩.২৫৬নং ধাৰাৰ (২) নং উপধাৰাটো ২৫৬নং ধাৰাৰ (১)নং উপ-ধাৰাৰ পৰা কিমান পৃথক সেই প্ৰশ্নটো বিবেচনা কৰোঁতে, মন কৰিবলগীয়া এটা কথা হ'ল যে ২৫৬ নং ধাৰাৰ ১নং উপ-ধাৰাই দণ্ডাধীশক প্ৰদান কৰা ক্ষমতাসমূহৰ ভিতৰত এটা ক্ষমতা হৈছে যদি অভিযোগকাৰীজনক কোনো অধিবক্তা বা গোচৰ চলোৱা এজন চৰকাৰী বিষয়াৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হয়, তেন্তে অভিযোগকাৰীৰ ব্যক্তিগত উপস্থিতি অবিহনেও দণ্ডাধীশজনে গোচৰটো চলাই নিব পাৰে।

৩৪.সেয়েহে,এতিয়া প্ৰশ্নটো উত্থাপিত হৈছে যে যদি অভিযোগকাৰী মৃত্যু হোৱা বাবে অনুপস্থিত হয়, দণ্ডাধীশে চমন গোচৰটো কেৱল এই ভিত্তিত আগবাঢ়িবলৈ অনুমতি দিব পাৰিবনে যে মৃত অভিযোগকাৰীক তেওঁৰ অধিবক্তাই বা গোচৰ পৰিচালনা কৰা বিষয়া এজনে প্ৰতিনিধিত্ব কৰে? অভিযোগকাৰী এজনে নিযুক্ত কৰা এজন অধিবক্তাই চমন গোচৰত, মৃত অভিযোগকাৰীৰ অধিবক্তা হিচাপে প্ৰতিনিধিত্ব কৰি যাব পাৰে নেকি সেই প্ৰশ্নটো সঠিকভাৱে বুজি উঠিবলৈ, গোচৰীয়া পক্ষ আৰু তেওঁৰ অধিবক্তাৰ মাজৰ সম্পৰ্কটো বুজিব লাগিব।

৩৫.বিষয়টোৰ ওপৰোক্ত দিশটো বিবেচনা কৰোঁতে, এজন ব্যক্তিৰ দ্বাৰা এজন অধিবক্তাৰ নিযুক্তি অস্হায়ী প্ৰকৃতিৰ বুলি মন কৰাটো অতি গুৰুত্বপূৰ্ণ। এটা পক্ষৰ দ্বাৰা এজন অধিবক্তাৰ নিযুক্তি মূলতঃ এজন মুক্তিয়াৰ নিযুক্ত কৰা আৰু উকালতনামাখন একো নহয়, কিন্তু এজন মুক্তিয়াৰৰ ক্ষমতা বা সংশ্লিষ্ট পক্ষক প্ৰতিনিধিত্ব কৰাৰ কৰ্তৃত্ব, যি আনকি অপৰাধমূলক গোচৰত অভিযোগকাৰী হ'ব পাৰে, সেয়া অপৰাধমূলক গোচৰত হওঁক বা দেৱানী গোচৰত হওঁক সেয়া গুৰুত্বপূৰ্ণ নহয়। এ আই আৰ ১৯৩৭ নাগপুৰ ৬৫ ত প্ৰতিবেদিত ৰামদেও ত্ৰিলোকচান্দ আগৰৱালা বনাম লালু নাথাৰ গোচৰৰ ৰায়ৰ প্ৰসংগটো মই টানি আনিছো য'ত মহীশূৰ উচ্চ ন্যায়ালয়ে উকালতনামাৰ প্ৰসংগত তলত দিয়া ধৰণে পৰ্যবেক্ষণ আৰু ৰায়দান কৰেঃ

"ষ্ট্ৰাউডৰ ন্যায়িক অভিধানত, "মুক্তিয়াৰৰ ক্ষমতা"ক এনেদৰে সংজ্ঞায়িত কৰা হৈছে: এক কৰ্তৃপক্ষ, যাৰ দ্বাৰা এজনক আন এজনৰ হৈ কাম কৰিবলৈ নিযুক্ত কৰা হৈছে।

ভাৰতত, ষ্টাম্প আইনৰ উদ্দেশ্য অনুযায়ী ষ্টাম্প আইনৰ ধাৰা নং ২(২১)ৰ অধীনত, মুক্তিয়াৰৰ ক্ষমতাক এনেদৰে সংজ্ঞায়িত কৰা হয় যিয়ে এখন উকালতনামাক বাদ পেলায়, কিয়নো ইয়াত এখন নথি বাদ দিয়া হয়, য'ত আদালত-মাচুলৰ মোহৰ থাকে, কিন্তু মোৰ মতে, ষ্টাম্প আইনৰ উদ্দেশ্য অনুযায়ী সেই সংজ্ঞাই এইটো সম্পূৰ্ণ স্পষ্ট কৰে যে যদি সেইটোৰ বাবে এইটো সংজ্ঞা নহয়, তেন্তে এখন উকালতনামাক মুক্তিয়াৰৰ ক্ষমতা হিচাপে, কেৱল আদালতৰ মাচুল আইনৰ অধীনত আদালতৰ মাচুলৰ মোহৰৰ প্ৰয়োজন নহয়, লগতে ষ্টাম্প আইনৰ অধীনত এটা মোহৰৰ প্ৰয়োজন হ'ব আৰু সেই দুবিধ মোহৰ পৰিহাৰ কৰিবলৈ, উকালতনামাক বাদ দিয়াটো ষ্টাম্প আইনত প্ৰয়োজনীয় আছিল।"

৩৬.এজন অধিবক্তা মূলতঃ, চুক্তি আইনৰ ১৮২ নং ধাৰা মতে ৪২ চি ডব্লিউ এন ১২৬৩ বিধু ভূষণ সেন বনাম মফিজুদ্দিন আহমেদ, ২০১৬ৰ গোচৰত উল্লেখ কৰা অনুসৰি ব্যক্তিজনে নিয়োগ কৰা এজেন্ট হয় নে নহয়, এই প্ৰশ্নটোৰ আলোচনাৰ মাজত সোমোৱাৰ আগতেই,সত্যটো হ'ল যে এজন ব্যক্তিয়ে অধিবক্তাক নিযুক্তি দিয়াটো চুক্তিবদ্ধ প্ৰকৃতিৰ, আৰু ২২নং আদেশৰ অধ্যয়নৰ পৰা ইয়াক আইন মণ্ডলৰ স্বীকৃতি দিয়াটো প্ৰমাণিত হয় যিয়ে তলত দিয়া ধৰণে নিৰ্ধাৰণ কৰে:

“১০এ. এজন অধিবক্তাৰ তেওঁৰ পক্ষৰ ব্যক্তিৰ মৃত্যুৰ পৰিপেক্ষিতত আদালতৰ সৈতে যোগাযোগ কৰাৰ দায়িত্ব। — যেতিয়াই এটা পক্ষৰ হৈ হাজিৰ হোৱা এজন অধিবক্তাই তেওঁৰ পক্ষৰ ব্যক্তিজনৰ মৃত্যুৰ কথা জানিব পাৰে,তেওঁ আদালতক এই বিষয়ে অৱগত কৰিব,আৰু তাৰ পিছত ন্যায়ালয়ে আনটো পক্ষলৈ মৃত্যুৰ সম্পৰ্কে জাননী প্ৰেৰণ কৰিব আৰু সেই ক্ষেত্ৰত, এজন অধিবক্তা আৰু তেওঁৰ সৈতে চুক্তি হোৱা মৃত ব্যক্তিজনৰ মাজৰ চুক্তিটো কাৰ্যকৰী হৈ থাকিব।’’

৩৭.সেয়েহে, এটা দেৱানী গোচৰত, এজন অধিবক্তাৰ নিযুক্তি আইনৰ আদেশ ২২ নীতি ১০ৰ বিশেষভাৱে প্ৰদান কৰা অনুমতিৰ বাহিৰে, ব্যক্তিজনৰ মৃত্যুৰ লগে লগে তেওঁ নিয়োগ কৰা অধিবক্তাজনৰ নিযুক্তিৰ অন্ত পৰে। সেয়েহে, এইটো আচৰিত হ’বলগীয়া কথা নহয় যে আনকি এটা দেৱানী গোচৰৰ বিচাৰাধীন হৈ থকাৰ সময়তো যদি আপীলকাৰীজনৰ মৃত্যু হয়, তেওঁৰ অধিবক্তাজনক প্ৰদান কৰা ক্ষমতাৰ অন্ত পৰে আৰু অকাৰ্যকৰী হৈ পৰে।[চাওক (১৯৩১) ৩২ পি ইউ এন এলআৰ ৩৮৯ (ডিবি)]।

অৱশ্যে একমাত্র ব্যতিক্রম হৈছে যে দেৱানী কার্যবিধি আইনৰ আদেশ ২২, নীতি ১০এ–ত উল্লেখ কৰা হৈছে, অৰ্থাৎ, অধিবক্তা আৰু তেওঁৰ মৃত্যু হোৱা পক্ষৰ মাজত চুক্তি কেৱল তেওঁৰ পক্ষৰ মৃত্যু হৈছে বুলি আদালতক অৱগত কৰাৰ উদ্দেশ্যেহে “বৰ্তি থাকিব’’।সেয়েহে, এজন ব্যক্তিৰ দ্বাৰা এজন অধিবক্তাক নিযুক্তি প্ৰদান কৰাটো আন একো নহয়, ই এক প্ৰকাৰৰ চুক্তি আৰু এই চুক্তি 'ব্যক্তিজন'ৰ মৃত্যুৰ লগে লগে সমাপ্ত হয়, যিয়ে অধিবক্তাজনক নিযুক্তি দিছিল।

৩৮.ফৌজদাৰী গোচৰৰ ক্ষেত্ৰতো, দেৱানী গোচৰৰ দৰেই,গোচৰীয়াজনৰ তেওঁৰ অধিবক্তাৰ সৈতে সেই সম্পৰ্কটো গোচৰীয়াজনৰ মৃত্যুৰ লগে লগে অন্ত পৰে।সেয়েহে, যেতিয়াই গোচৰীয়াজনৰ মৃত্যু হয়, তেওঁৰ অধিবক্তাজনৰ কোনো ক্ষমতা নাথাকে আৰু সেয়েহে,মৃত গোচৰীয়াজনৰ অধিবক্তা হিচাপে গোচৰটোত আগবাঢ়িবলৈ অনুমতি প্ৰদান কৰা ন’হব।

৩৯.উপৰোক্ত আলোচনাৰ পৰা পোৱা যুক্তিসংগত দিশটো হ’ল যেতিয়া এজন গোচৰীয়াৰ মৃত্যু হয়, দণ্ডাধীশজনে কেৱল এইটো ভিত্তিত আগবাঢ়িব নোৱাৰে যে গোচৰীয়াজনে নিয়োগ কৰা অধিবক্তাজন উপস্হিত আছে লগতে এনে এটা গোচৰৰ ক্ষেত্ৰত, দণ্ডাধীশজনে ন্যায় প্ৰদানৰ উদ্দেশ্যে, যদি অধিবক্তাজনে মৃত গোছৰীয়াজনৰ হৈ ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩০২ নং ধাৰাৰ প্ৰসংগত উকালতি কৰাৰ ইচ্ছা প্ৰকাশ কৰে, ৩০২ নং ধাৰাই দণ্ডাধীশজনক যিকোনো এজন ব্যক্তিক গোচৰটো চলাবৰ বাবে অনুমতি প্ৰদান কৰে আৰু এই যিকোনো এজন ব্যক্তি শব্দটোৱে নিশ্চয়কৈ এজন অধিবক্তাকো সাঙুৰি লব।[১৯৬৭ চনৰ ক্ৰিমিনেল এল জে ৯৪৩(এছ চি)ত প্ৰতিবেদিত অশ্বিন নানু ভাই ব্যাস বনাম মহাৰাষ্ট্ৰ চৰকাৰ চাওক] অৱশ্যে,এনে এজন অধিবক্তাৰ উপস্হিতি; অভিযোগৰ ক্ষেত্ৰত, মৃত অভিযোগকাৰীৰ এজন অধিবক্তা হিচাপে নহয়,কিন্তু দণ্ডাধীশজনে অনুমতি প্ৰদান কৰা ব্যক্তি হিচাপেহে গোচৰত হ’ব।অৰ্থাৎ, যেতিয়া অধিবক্তাজনে এনে গোচৰত উকালতি কৰে, তেওঁ দণ্ডাধীশৰ দ্বাৰা ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩০২নং ধাৰাৰ প্ৰসংগত তেওঁক দিয়া অনুমতিৰ আধাৰতহে কৰে, তেওঁক অভিযোগকাৰীজনে প্ৰদান কৰা তেওঁৰ মূল নিযুক্তিৰ দ্বাৰা নহয়। কিয়নো, অভিযোগকাৰীৰ এজন অধিবক্তা হিচাপে তেওঁৰ নিযুক্তি ইয়াৰ ওপৰত উল্লেখ কৰা অনুসৰি অভিযোগকাৰীৰ মৃত্যুৰ লগে লগে সমাপ্ত হয়। এই ক্ষেত্ৰত,ওপৰত

ইতিমধ্যে উল্লেখ কৰা অনুসৰি, এটা ফৌজদাৰী গোচৰ আৰু এটা দেৱানী গোচৰত এজন অধিবক্তাৰ নিযুক্তিৰ মাজত কোনো পাৰ্থক্য নাই। অৱশ্যে, যেতিয়া ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্ত এজন অধিবক্তাৰ দ্বাৰা গোচৰ চলোৱা হয়, অভিযোগকাৰীৰ মৃত্যুৰ প্ৰসংগটো অপ্ৰয়োজনীয় আৰু গোচৰটো এতিয়াও আগবঢ়াব পাৰি। সেয়েহে, পূৰ্বৰ ক্ষেত্ৰত, অৰ্থাৎ যেতিয়া অভিযোগকাৰীক এজন অধিবক্তাই প্ৰতিনিধিত্ব কৰে, অভিযোগকাৰীৰ মৃত্যুৰ লগে লগে অধিবক্তাৰ নিযুক্তি সমাপ্ত হয়, কিন্তু যেতিয়া অভিযোগকাৰীৰ মৃত্যু হয় আৰু গোচৰ চলাই থকা এজন বিষয়াই তেওঁক প্ৰতিনিধিত্ব কৰে, পিছৰ গোচৰটোত তেতিয়া এনেধৰণৰ নহয়। মই অৱশ্যেই আঙুলিয়াই দিব পাৰো আৰু পুনৰ ক'ব পাৰো যে এটা গোচৰত য'ত অভিযোগকাৰীক এজন অধিবক্তাই প্ৰতিনিধিত্ব কৰে আৰু যদি অভিযোগকাৰীৰ মৃত্যু হৈছে, দণ্ডাধীশে অভিযোগকাৰীৰ উপস্থিতি বাদ দি গোচৰটো আগবঢ়াই নিব পাৰে যদিহে দণ্ডাধীশৰ মতে অভিযোগকাৰীৰ ব্যক্তিগত উপস্থিতিৰ প্ৰয়োজন নহয় আৰু আনকি ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩০২নং ধাৰাৰ ক্ষেত্ৰত অভিযোগকাৰীৰ অধিবক্তাকো তেওঁৰ অধিবক্তা হিচাপে নহয় কিন্তু আদালতৰ বিষয়া হিচাপে গোচৰটো আগবঢ়াই নিবলৈও অনুমতি দিব পাৰে।

৪০.মুঠতে ধাৰা নং ২৫৬ৰ উপধাৰা (২) ভালদৰে পঢ়িলে দেখা যায় যে যেতিয়া অভিযোগকাৰীৰ মৃত্যু হয়,তেতিয়া অভিযোগকাৰীয়ে নিযুক্তি দিয়া অধিবক্তাজনে অভিযোগকাৰীৰ অধিবক্তা হৈ নাথাকে আৰু অভিযোগকাৰীক প্ৰতিনিধিত্ব কৰিবলৈ অনুমতি দিয়া নহয়, আনহাতে চৰকাৰী কৰ্মচাৰীয়ে দাখিল কৰা অভিযোগৰ ভিত্তিত গোচৰৰ বিচাৰ চলোৱা এজন বিষয়াই অভিযোগকাৰী হিচাপে চৰকাৰী কৰ্মচাৰীজনৰ মৃত্যু হোৱাৰ পিছতো বিচাৰ চলাবলৈ অনুমতি লাভ কৰে।

৪১.অৰ্থাৎ গোচৰত চমন জাৰি কৰাৰ পিছত, তেন্তে অভিযুক্তৰ হাজিৰ হোৱাৰ বাবে নিৰ্ধাৰিত দিনটোত বা তাৰ পিছৰ যিটো দিনত শুনানি স্থগিত ৰখা হ'ব পাৰে,সেই দিনটোত যদি অভিযোগকাৰী মৃত্যু হোৱাৰ কাৰণে হাজিৰ হ'ব নোৱাৰে, তেওঁৰ মৃত্যুৰ পিছত দণ্ডাধীশে কেৱল এইটো ভিত্তিত গোচৰটো আগবঢ়াই নিব নোৱাৰে যে অভিযোগকাৰীয়ে নিযুক্তি দিয়া অধিবক্তাজন অভিযোগকাৰীক প্ৰতিনিধিত্ব কৰিবলৈ উপস্থিত আছে। কিন্তু যদি অভিযোগকাৰীক বিচাৰ চলোৱা কোনো বিষয়াই প্ৰতিনিধিত্ব

কৰে বা অভিযোগৰ প্ৰকৃতি এনেকুৱা হয় যে অভিযোগকাৰীৰ ব্যক্তিগত উপস্থিতিৰ প্ৰয়োজন নহয়, তেন্তে ওপৰত উল্লেখ কৰা কথাখিনিৰ ভিত্তিত দণ্ডাধীশে গোচৰটো আগবঢ়াই নিব পাৰে।

৪২. সেয়েহে, যেতিয়া ধাৰা নং ২৫৬(১)ৰ বিধানৰ প্ৰসংগত, ২৫৬নং ধাৰাৰ উপ-ধাৰা (২) পঢ়া হয়, তেতিয়া যথেষ্ট পৰিমাণে স্পষ্ট হৈ পৰে যে যেতিয়া অভিযোগকাৰীৰ অনুপস্থিতিৰ কাৰণ মৃত্যু হয়, তেতিয়াও দণ্ডাধীশে গোচৰটো আগবঢ়াই নিব পাৰে যদিহে দণ্ডাধীশৰ মতামত হয় যে অভিযোগকাৰীৰ ব্যক্তিগত উপস্থিতিৰ প্ৰয়োজন নাই বা যেতিয়া অভিযোগকাৰীক বিচাৰ চলোৱা কোনো বিষয়াই প্ৰতিনিধিত্ব কৰে। যদিহে দণ্ডাধীশে মৃত অভিযোগকাৰীৰ উপস্থিতি প্ৰয়োজনীয় নহয় বুলি ভিত্তি কৰি তেওঁৰ ব্যক্তিগত উপস্থিতিৰ প্ৰসংগটোৰ পৰা বিৰত থাকে, তেন্তে দণ্ডাধীশে 'যিকোনো ব্যক্তিক' বিচাৰ চলাবলৈ অনুমতি দিব পাৰে। অশ্বিন নানু ভাই ব্যাস (উপৰোক্ত)ৰ ৰায়ৰ পৰাই এই মতামত গ্ৰহণ কৰিবলৈ মই অনুপ্ৰাণিত হৈছো।

৪৩.যদিও অশ্বিন নানু ভাই ব্যাসৰ (উপৰোক্ত) ঘটনাটো সত্ৰ আদালতৰ গোচৰৰ সন্দৰ্ভত উল্লেখ কৰা হয়, "যিকোনো ব্যক্তি" শব্দটোৰ ক্ষেত্ৰত ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৪৯৫ (পুৰণি)ৰ ব্যাখ্যা, এতিয়াৰ ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩০২ নং ধাৰা, এই গোচৰৰ ক্ষেত্ৰতো যথেষ্ট অৰ্থপূৰ্ণ হয় আৰু উচ্চতম ন্যায়ালয়ে মত পোষণ কৰে যেঃ

"কেছৱানী ডাঙৰীয়াই কয় যে মাননীয় দণ্ডাধীশে নতুন অভিযোগকাৰীৰ "বিকল্প" ৰাখিছে আৰু আইনত এনে কোনো কথা নাই যিয়ে এজন অভিযোগকাৰীক আন এজনৰ ঠাইত সলনি কৰাৰ যুক্তিযুক্ততা প্ৰদান কৰে। এইটো সঁচা যে মাননীয় দণ্ডাধীশে "বিকল্প" শব্দটো ব্যৱহাৰ কৰিছে কিন্তু সেইয়া আদেশৰ প্ৰভাৱ নহয়। মাননীয় দণ্ডাধীশে যি কৰিছে সেয়া হৈছে বিচাৰ চলাবৰ বাবে মাতৃক অভিযোগকাৰী হিচাপে থাকিবলৈ অনুমতি দিছে। নিঃসন্দেহে এই ক্ষমতা মাননীয় দণ্ডাধীশৰ হাতত আছে কাৰণ আইনৰ ৪৯৫ নং ধাৰাটোৰ দ্বাৰা আদালতসমূহক যিকোনো ব্যক্তিৰ দ্বাৰা বিচাৰ চলাবলৈ অনুমোদন দিয়াৰ ক্ষমতা প্ৰদান কৰা হৈছে (কিছুমান ব্যতিক্ৰম বাদ দি)। 'যিকোনো ব্যক্তি' শব্দটোৱে নিঃসন্দেহে অভিযোগকাৰীৰ মাতৃক অন্তৰ্ভুক্ত কৰিব যেনে এই ১৯৮নং ধাৰাত ধাৰণা কৰা হৈছে যে ভুক্তভোগী ব্যক্তিজনৰ বাহিৰে আন কোনো

ব্যক্তিয়েও অভিযোগ দিব পাৰে আৰু এনে এটা গোচৰত অভিযোগকাৰীৰ মৃত্যুৱে বিচাৰৰ অন্ত পেলায় বুলি ধৰি লোৱা উচিত বুলি ভৱাটোৰ কোনো বৈধ কাৰণ নাই যেন লাগে ।”

৪৪.উচ্চতম ন্যায়ালয়ে অশ্বিন নানু ভাই ব্যাস (উপৰোক্ত) গোচৰত যিথিনি আঙুলিয়াই দিছে, তাৰ পৰা স্পষ্ট যে যদিও বিকল্প কোনো ব্যৱস্থা নাই, তথাপিও ধাৰা ৩০২(১), যিটো এতিয়া,ফৌজদাৰী কাৰ্যবিধি আইনৰ ৪৯৫নং ধাৰা, আদালতক যিকোনো ব্যক্তিৰ দ্বাৰা বিচাৰ চলোৱাৰ অনুমোদন দিবলৈ ক্ষমতা প্ৰদান কৰে আৰু “যিকোনো ব্যক্তি” শব্দটোৱে বৰ্তমানৰ ধৰণৰ গোচৰত অভিযোগকাৰীৰ পুত্ৰক অন্তৰ্ভুক্ত কৰিব। ইয়াত অভিযুক্ত-বিপৰীত পক্ষ, অভিযোগকাৰীৰ পুত্ৰ হোৱাৰ বাবে ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩০২(১)নং ধাৰাৰ পৰিকল্পনা অনুসৰি "যিকোনো ব্যক্তি"ৰ বাখ্যাটোত সোমাই পৰিছে। ১৯৯৯(৪) অপৰাধ ২০৯-ত প্ৰকাশিত ৰবিচেলভাম বনাম নিলিনী বিজয়া কুমাৰত লক্ষ্য কৰা অনুসৰি, ন্যায় সাধনৰ প্ৰয়াস কৰিব লাগিব আৰু কোনো সুবিধা বা কাৰিকৰী তাৎপৰ্য ল'ব নালাগিব।ন্যায়িক বিষয়য়মূহত নিৰপেক্ষতাক সহজ উপায়ৰ আশ্ৰয় লোৱাতকৈ প্ৰাধান্যতা দিব লাগিব।

৪৫.ফৌজদাৰী কাৰ্যবিধি আইনৰ সকলো প্ৰাসংগিক বিধান পৰীক্ষা কৰিলে অভিযোগকাৰীৰ মৃত্যুৰ লগে লগে ফৌজদাৰী কাৰ্যবিধি হ্ৰাস পায় বুলি থকা ধাৰণাটো আইনগতভাৱে ভিত্তিহীন আৰু গ্ৰহণযোগ্য নহয় যেন লাগে। আইনীভাৱে আৰম্ভ কৰা ফৌজদাৰী কাৰ্যবিধি কেৱল অভিযোগকাৰীৰ মৃত্যুৰ লগে লগে শেষ বা হ্ৰাস নহয়। দেৱানী গোচৰৰ কাৰণে লোৱা পদক্ষেপে অপৰাধৰ অভিযোগৰ সৈতে কোনো সাদৃশ্য বহন নকৰে। ১৯৯৮ চনত প্ৰতিবেদিত এছ’চিয়েটেড চিমেণ্ট কোম্পানী লিমিটেড বনাম কেশবানন্দৰ গোচৰত ফৌজদাৰী কাৰ্যবিধি আইনৰ ২৫৬নং ধাৰাৰ উদ্দেশ্য উচ্চতম ন্যায়ালয়ে তলত দিয়াধৰণে সংক্ষিপ্তভাৱে ব্যাখ্যা কৰিছেঃ

১৭.“পুৰণি আইনত ২৪৭নং ধাৰাৰ (বা নতুন আইনত ২৫৬ নং ধাৰা)ৰ দৰে ব্যৱস্থা অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্য কি আছিল। এইটোৱে এজন অভিযোগকাৰীৰ ফালৰ পৰা বিলম্ব কৰা কৌশলৰ বিৰুদ্ধে কিছু প্ৰতিৰোধৰ সুবিধা প্ৰদান কৰে যিয়ে তেওঁৰ অভিযোগৰ জৰিয়তে আইনখনক সক্ৰিয় কৰি তোলে। এজন অভিযুক্তক যি সকলো নিৰ্ধাৰিত দিনত আদালতত উপস্থিত থকাটোত জোৰ দিয়া হয়,তেনে ক্ষেত্ৰত অভিযোগকাৰী এজনে

যথেষ্ট হাৰাশাস্তি কৰিব পাৰে যদি তেওঁ প্ৰয়োজনীয় সময়ত আদালতলৈ নাযায়। সেয়েহে, ধাৰাটোৱে অভিযোগকাৰীৰ এনে কৌশলৰ বিৰুদ্ধে এজন অভিযুক্তক সুৰক্ষা প্ৰদান কৰে। কিন্তু অভিযোগকাৰীজন অনুপস্থিত থাকিলে ইয়াৰ অৰ্থ এইটো নহয় । আদালতৰ অভিযুক্তক মুক্তি দিয়াৰ দায়িত্ব আছে।

১৮.ধাৰাটো সম্পূৰ্ণৰূপে পঢ়িলে দেখা যাব যে ধাৰাটোৰ অধীনত ক্ষমতা প্ৰয়োগ কৰাৰ বাবে আদালতৰ ওপৰত দুটা বাধা আৰোপ কৰা হৈছে। প্ৰথমটো হ'ল, যদি আদালতে কোনো পৰিস্থিতিত শুনানি স্থগিত ৰখাটো উচিত বুলি ভাবে তেন্তে দণ্ডাধীশে অভিযুক্তক দোষমুক্ত কৰিব নোৱাৰিব। দ্বিতীয়তে, যেতিয়া দণ্ডাধীশে অভিযোগকাৰীৰ ব্যক্তিগত উপস্থিতি সেইদিনা প্ৰয়োজনীয় নহয় বুলি বিবেচনা কৰে, তেতিয়া দণ্ডাধীশৰ তেওঁৰ উপস্থিতিৰ অবিহনে গোচৰটো আগবঢ়াই নিয়াৰ ক্ষমতা থাকে। যেতিয়া আদালতে লক্ষ্য কৰে যে অভিযোগকাৰীজন কোনো বিশেষ দিনত অনুপস্থিত আছে, তেতিয়া আদালতে বিবেচনা কৰিব লাগিব যে গোচৰৰ অগ্ৰগতিৰ বাবে সেইদিনা অভিযোগকাৰীৰ ব্যক্তিগত উপস্থিতি অতি প্ৰয়োজনীয় নেকি আৰু লগতে তেনে পৰিস্থিতিত আন কোনো কাৰণত গোচৰটো আন তাৰিখলৈ স্থগিত ৰখাৰ যুক্তিযুক্ততা নাই নেকি। যদি পৰিস্থিতিয়ে গোচৰটো স্থগিত ৰখাটো ন্যায়সঙ্গত বুলি প্ৰমাণ নকৰে, আদালতে অভিযোগটো খাৰিজ কৰিবলৈ আৰু অভিযুক্তক অব্যাহতি দিয়াৰ ক্ষেত্ৰত মুক্ত। কিন্তু যদি সেইদিনা অভিযোগকাৰীৰ উপস্থিতি যথেষ্ট অপ্ৰয়োজনীয় আছিল, তেনেহ'লে, অভিযোগটো কৰ্তন কৰাৰ পদক্ষেপটো ধাৰাটোত প্ৰদান কৰা ক্ষমতাৰ সঠিক প্ৰয়োগ নহ'ব পাৰে। সেয়েহে, ফৌজদাৰী গোচৰৰ ন্যায় প্ৰদানৰ ক্ষেত্ৰত কোনো ক্ষতি নকৰাকৈ ন্যায়িক আৰু নিৰপেক্ষভাৱে এই বিবেচনা কৰিব লাগিব।"

৪৬. এজন ব্যক্তিয়ে এই দিশটো আওকাণ কৰিব নোৱাৰে যে হস্তক্ষেপৰ অধিকাৰৰ ধাৰণাটো যথেষ্ট পৰিৱৰ্তন হৈছে আৰু ফৌজদাৰী আইনত প্ৰতিষ্ঠিত নীতিটো হৈছে যে, অন্যথা, আইনৰ দ্বাৰা নিষিদ্ধ নহ'লে, যিকোনো ব্যক্তিয়ে আইনক সক্ৰিয় কৰি তুলিব পাৰে। তদুপৰি, ফৌজদাৰী কাৰ্যবিধি আইনৰ ২৫৬নং ধাৰাৰ (২)নং উপধাৰাটো স্পষ্টভাৱে এইটো নিশ্চিত কৰাৰ উদ্দেশ্যৰে প্ৰৱৰ্তন কৰা হৈছিল যে নিৰ্দিষ্ট গোচৰত, অভিযোগকাৰী এজনৰ মৃত্যু হ'লেই,প্ৰক্ৰিয়াবোৰ স্বয়ংক্ৰিয়ভাৱে সমাপ্ত নহয় আৰু অভিযোগকাৰীৰ উপস্থিতি প্ৰয়োজন নহ'লে আৰু য'ত অভিযোগটো এজন চৰকাৰী

বিষয়াই প্ৰতিনিধিত্ব কৰে,গোচৰটোৰ প্ৰক্ৰিয়া অব্যাহত ৰখাৰ বাবে দণ্ডাধীশৰ ওপৰত বিবেচনাৰ ক্ষমতা ন্যস্ত কৰা হৈছে ।

৪৭. ১৯৮০ৰ ক্ৰিমিনেল এল জে(কৰ্ণাটক)ত প্ৰতিবেদিত চুব্বান্না হেগড়ে বনাম দিয়াউয়াপ্পা গৌড়াৰ ক্ষেত্ৰত, কৰ্ণাটক উচ্চ ন্যায়ালয়ে মত প্ৰকাশ কৰিছে যে চমন বিচাৰযোগ্য গোচৰত, অভিযোগকাৰীৰ মৃত্যুৰ ক্ষেত্ৰত, অভিযোগটো প্ৰত্যাহাৰ কৰা হয় আৰু দণ্ডাধীশে অভিযুক্তক ৰেহাই দিব লাগিব। ওপৰত উল্লেখ কৰা কাৰণবোৰৰ বাবে, মই নিজকে এনেদৰে প্ৰকাশ কৰা দৃষ্টিভংগীৰ সৈতে সন্মতি প্ৰকাশ কৰাত অসমৰ্থ অনুভৱ কৰোঁ। মই অন্তিম সিদ্ধান্তত উপনীত হোৱাৰ বাবে, ক্ৰিমিনেল এল জে ১৩২৬(এপি)১৯৮৪ চনত প্ৰতিবেদিত মাদ্দিপাট্টা গোবিন্দিয়া নাইডু বনাম য়েলাকালুৰি কমলাম্মাৰ, ক্ৰিমিনেল এলজে ৯৮ (কান্ত)১৯৯৭ত প্ৰতিবেদিত এছ. ৰেড্ডাপ্পা বনাম বিজয়া এম.,ক্ৰিমিনেল এল জে ৩০৮৮(ঝাৰখণ্ড)২০০৩ত প্ৰতিবেদিত অজয় কুমাৰ আগৰৱালা বনাম ঝাৰখণ্ড চৰকাৰ, ক্ৰিমিনেল এ ২৬৯,১৯৯১ (কেৰালা)ত প্ৰতিবেদিত চেমুৱেল থমাছ বনাম উন্নিকৃষ্ণন,ক্ৰিমিনেল এল জে ১৮৫৬ (জম্মু কাশ্মীৰ)ত প্ৰতিবেদিত অশোক কুমাৰ বনাম আব্দুল লতিফ,ক্ৰিমিনেল এল জে ১৬২২ (ব'ম্বে)২০০২ ত প্ৰতিবেদিত হেলেন চি. পিনহেইৰো বনাম কামনি ষ্টীল প্ৰডাক্টচ, ক্ৰিমিনেল এল জে ৩৮৭০ (গুজৰাট)১৯৯৮ ত প্ৰতিবেদিত এছ'চিয়েটেড চিমেন্ট কোম্পানী লিমিটেড.(উপৰোক্ত) অনিল জি. শ্বাহ বনাম জে চাট্টাৰঞ্জন কোম্পানী আৰু অশ্বিন নানু ভাই ব্যাস (উপৰোক্ত)শীৰ্ষক গোচৰসমূহৰ দ্বাৰা সমৃদ্ধ হৈছিলো।মই অৱশ্যে ইয়াৰ লগে লগে কব বিচাৰো যে যদিও ইয়াত পূৰ্বে উল্লেখ কৰা কিছুমান গোচৰে প্ৰতিফলিত কৰে যে কেৱল মৃত অভিযোগকাৰীয়ে নিয়োগ কৰা অধিবক্তাই মৃত অভিযোগকাৰীক প্ৰতিনিধিত্ব কৰিবলৈ উপস্থিত থকাৰ ভিত্তিত চমন গোচৰ আগবঢ়াই নিবলৈ অনুমতি দিব পাৰি, তথাপিও যিবোৰ কাৰণ মই ইতিমধ্যে ইয়াত উল্লেখ কৰিছো, সেইবোৰৰ বাবে এনে এটা প্ৰস্তাৱত সন্মতি দিয়াটো অসম্ভৱ বুলি বিবেচনা কৰিছো। গতিকে মই এই মত পোষণ কৰিছো যে অভিযোগকাৰীয়ে নিযুক্তি দিয়া এজন অধিবক্তাই পূৰ্বৰজনৰ মৃত্যুৰ পিছত অভিযোগকাৰীৰ অধিবক্তা হৈ নাথাকে আৰু অভিযোগকাৰীক তেওঁ অধিবক্তা হিচাপে প্ৰতিনিধিত্ব কৰিব নোৱাৰে। কিন্তু এনে এটা গোচৰত,য'ত অভিযোগকাৰী তেওঁৰ মৃত্যুৰ বাবে অনুপস্থিত থাকে, তেতিয়াও দণ্ডাধীশে

অভিযোগকাৰীকে ধৰি 'যিকোনো ব্যক্তিক' ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩০২নং ধাৰাৰ অধীনত অভিযোগকাৰীক প্ৰতিনিধিত্ব কৰিবলৈ অনুমতি প্ৰদান কৰিব পাৰে।

৪৮. অৱশ্যেই এনেকুৱা গোচৰো থাকিব পাৰে য'ত অভিযোগকাৰীৰ মৃত্যুৰ পিছত দণ্ডাধীশে বিচাৰ চলাবলৈ অনুমতি প্ৰদান নকৰিবও পাৰে যদিহে তেওঁ অভিযোগকাৰীৰ ব্যক্তিগত উপস্থিতি প্ৰয়োজনীয় বুলি বিবেচনা কৰে। উদাহৰণস্বৰূপে,যদি অভিযোগকাৰীয়ে অভিযোগ দাখিল কৰে যে অভিযুক্তই তেওঁক আক্ৰমণ কৰিছে, তেন্তে, যদি একমাত্ৰ সাক্ষীজন অভিযোগকাৰী নিজেই হয় আৰু আক্ৰমণৰ বাবে নহয় কিন্তু আন কোনো কাৰণত তেওঁৰ মৃত্যু হয়, তেন্তে তেনে অভিযোগ অব্যাহত ৰখাৰ কোনো উদ্দেশ্য নাথাকিব কাৰণ, অৱশেষত প্ৰমাণৰ সম্পূৰ্ণ অভাৱৰ বাবে অভিযুক্তক দোষমুক্ত কৰাৰ লগে লগে বিচাৰৰ অন্ত পৰিব। কিন্তু ধৰি লওক যে অভিযোগকাৰীৰ প্ৰমাণ লিপিবদ্ধ হোৱাৰ পিছত তেওঁৰ মৃত্যু হয় আৰু যদি তেওঁকো জেৰাত ৰখা হয়, তেন্তে, বিচাৰ এতিয়াও আগবাঢ়িব পাৰে, কাৰণ, অভিযোগকাৰীৰ ব্যক্তিগত উপস্থিতিৰ আৰু প্ৰয়োজন নহ'ব। আহক, এতিয়া, আন এটা গোচৰ লওঁ। ধৰি লওক এজন ব্যক্তিয়ে অভিযোগ দাখিল কৰিছে যে তেওঁৰ পুত্ৰক অভিযুক্তই আক্ৰমণ কৰিছিল। সময়ৰ লগে লগে এনে এটা গোচৰত দণ্ডাধীশে চমন জাৰি কৰাত অভিযুক্ত হাজিৰ হ'ল, কিন্তু অভিযোগকাৰীৰ মৃত্যু হোৱাৰ বাবে হাজিৰ হ'ব নোৱাৰিলে। এনে ক্ষেত্ৰত দণ্ডাধীশে বিচাৰ প্ৰক্ৰিয়া আগবঢ়াই নিব লাগে, কাৰণ অভিযোগকাৰীৰ অনুপস্থিতিতো অভিযোগকাৰীৰ পুত্ৰৰ প্ৰমাণৰ ফলত অভিযুক্ত দোষী সাব্যস্ত হ'ব পাৰে। গতিকে অভিযোগকাৰীৰ মৃত্যুৰ পিছতো গোচৰটো আগবাঢ়ি যাবলৈ দিয়া হ'ব নে নহয় সেয়া কোনো এটা গোচৰৰ তথ্যৰ ওপৰত নিৰ্ভৰ কৰিব। কোনো অনমনীয় নিয়ম, এই ক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰি। অৰ্থাৎ, অভিযোগকাৰীৰ মৃত্যুৰ পিছতো চমন গোচৰত অভিযোগ এটা অব্যাহত ৰাখিবলৈ অনুমতি দিয়া হ'ব নে নাই সেয়া এক প্ৰশ্ন, যাৰ উত্তৰটো প্ৰদত্ত গোচৰটোৰ তথ্যৰ ওপৰত নিৰ্ভৰশীল হ'ব আৰু এই সন্দৰ্ভত কোনো অপৰিৱৰ্তনীয় বা অনমনীয় আইনৰ নীতি নিৰ্ধাৰণ কৰিব নোৱাৰি।এনে ক্ষেত্ৰত মই অৱশ্যে স্বেচ্ছাচাৰী হিচাপে নহয়, ন্যায়সঙ্গত ভাৱে বিবেচনা কৰিম।

49.ক্রিমিনেল এল জে ১৬১৯,১৯৯০চনত প্ৰতিবেদিত ওম চাৰণ বনাম শ্ৰীমতী সত্য ধাৱান গোচৰটোত দিল্লী উচ্চ ন্যায়ালয়ে নিৰ্ধাৰণ কৰিছে যে আইনসভাই প্ৰতিটো গোচৰৰ তথ্যৰ প্ৰতি লক্ষ্য ৰাখি সিদ্ধান্ত লোৱাৰ বাবে দণ্ডাধীশৰ ওচৰত এক বিবেচনা কৰিব পৰা ক্ষমতা প্ৰদান কৰিছে,অভিযোগকাৰীৰ অনুপস্থিতিত বা চমন গোচৰত অভিযোগকাৰীৰ মৃত্যু হোৱাৰ পিছত, অভিযুক্তক নিৰ্দোষী সাব্যস্ত কৰা উচিত হ'ব নে নহয় আৰু যদি তেওঁ ইয়াক সঠিক বুলি ভাবে,তেন্তে দণ্ডাধীশে অভিযোগটো আগবঢ়াব পাৰে,আৰু অভিযোগকাৰীৰ অনুপস্থিতিত বা অভিযোগকাৰীৰ মৃত্যু হ'লে বিষয়টো স্থগিত ৰাখিব পাৰে।মই নিজে এই পৰ্যবেক্ষণটোক সম্পূৰ্ণৰূপে সমৰ্থন কৰো।

৫০. ওপৰত কি সিদ্ধান্ত লোৱা হৈছে সেইয়া মনত ৰাখি, যেতিয়া মই হাতত থকা গোচৰটোলৈ ঘূৰি যাওঁ,এই কথা চকুত স্পষ্ট হৈ পৰে যে বৰ্তমানৰ গোচৰটোত, অভিযোগটো অভিযুক্ত-আবেদনকাৰীয়ে বিনিয়মযোগ্য দলিল আইনৰ ১৩৮নং ধাৰাৰ লগতে ১৪২ নং ধাৰাত সংঘটিত কৰা অপৰাধৰ বাবে অভিযুক্ত-আবেদনকাৰীৰ ওপৰত হোৱা গোচৰৰ সৈতে সম্পৰ্কিত।

৫১.বৰ্তমানৰ গোচৰটোত অভিযোগটো হৈছে যে অভিযুক্তৰ দ্বাৰা প্ৰদান কৰা চেকখন, যেতিয়া নগদ ধন উলিওৱাৰ বাবে জমা কৰা হৈছিল,তেতিয়া"পৰিশোধকাৰীজনৰ দ্বাৰা পৰিশোধ বন্ধ ৰখা" বুলি ঘূৰাই দিয়া হৈছিল। তেতিয়া অভিযোগকাৰীয়ে অভিযুক্ত-আবেদনকাৰীলৈ জাননী প্ৰেৰণ কৰি প্ৰশ্ন উত্থাপিত হোৱা চেকখন যি ধনৰ বাবে জমা কৰা হৈছিল, সেই ধন পৰিশোধ কৰিবলৈ দাবী জনাইছিল যদিও জাননী লাভ কৰাৰ পিছতো/অভিযুক্ত-আবেদনকাৰীয়ে কোনো ধৰণৰ ধন পৰিশোধ কৰা নাছিল। এনেদৰে কৰা অভিযোগ, যিবোৰ সঁচা হ'ব পাৰে বা নহ'বও পাৰে, বিনিয়মযোগ্য দলিল আইনৰ ১৪২নং ধাৰাৰ সৈতে ১৩৮নং ধাৰাৰ অধীনত অভিযুক্ত-আবেদনকাৰীয়ে অপৰাধ সংঘটিত কৰাটো প্ৰকাশ কৰে।আচলতে অভিযোগকাৰীৰ বিষয়বস্তুত পূৰ্বতে উল্লেখ কৰা অপৰাধ সংঘটিত হোৱাৰ কথা প্ৰকাশ কৰাটো এই পৰ্যায়ত বিতৰ্কৰ বিষয় নহয়। প্ৰমাণ কৰিব লগা গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় উপাদানবোৰ হ'ল চেক প্ৰদান কৰা, চেকখনক অসন্মান কৰা, চেকবোৰ বাউন্স হোৱাৰ পিছত অভিযুক্তক পৰিশোধৰ দাবী কৰা তথা অভিযোগকাৰীয়ে আইনী জাননী প্ৰেৰণ কৰা। এইবোৰ হৈছে এনে তথ্য, যাক অভিযোগকাৰীৰ অনুপস্থিতিতো বিবেচনা আৰু প্ৰমাণ কৰিব পাৰি।

পৰিশোধ কৰিবলগীয়া ব্যক্তিজনৰ দ্বাৰা চেকত পৰিশোধ নকৰাটো বিনিয়মযোগ্য দলিল আইনৰ ১৩৮ নং ধাৰাৰ  ভিতৰত চেকৰ অসন্মানৰ সমান হয় নে নহয়, এই প্ৰশ্নটো মই বৰ্তমান পুনৰীক্ষণ গোচৰটোত আলোচনা কৰা নাই, কিয়নো, প্ৰশ্নত, যেতিয়া উত্থাপিত অভিযোগৰ তথ্য সামগ্ৰিকভাৱে পঢ়িলে বৰ্তমানৰ বিনিয়মযোগ্য দলিল আইনৰ ১৩৮ নং ধাৰাৰ অধীনত অপৰাধ সংঘটিত কৰিছে নেকি, সেইয়া পুনৰীক্ষণ গোচৰটোত উত্থাপন কৰা হোৱা নাই। অভিযোগকাৰীজন, যাৰ মৃত্যু হৈছে,তেওঁক এতিয়া আবেদনকাৰীয়ে প্ৰতিনিধিত্ব কৰিছে আৰু আবেদনকাৰী হৈছে মৃতকৰ পুত্ৰ। এনে পৰিস্থিতিত, অভিযোগৰ গোচৰটো আগবাঢ়িবলৈ অনুমতি নিদিয়াৰ কোনো কাৰণ নাই। এই দিশৰ পৰা চালে, মাননীয় দণ্ডাধীশৰ দ্বাৰা বিপৰীত পক্ষক (যি মৃত অভিযোগকাৰীৰ পুত্ৰ) অভিযোগকাৰীক প্ৰতিনিধিত্ব কৰিবলৈ অনুমতি দিয়াৰ বিবেচনা কৰাটো সঠিক ন্যায়িক নীতিৰ ওপৰত আধাৰিত আৰু আইনত অপ্ৰত্যাশিত।

৫২. মই বিনিয়মযোগ্য দলিল আইনৰ ১৩৮নং ধাৰাৰ অধীনত এটা গোচৰৰ কথাও উল্লেখ কৰিব পাৰোঁ, যিয়ে অভিযোগকাৰীৰ মৃত্যু সম্পৰ্কীয় বিষয়টো মোকাবিলা কৰিছে আৰু এই ৰায়টো অনিল জি শ্বাহৰ (উপৰোক্ত)গোচৰটোত গুজৰাট উষ্চ ন্যায়ালয়ে প্ৰদান কৰিছে৷ এই ক্ষেত্ৰতো, এইটো নিৰ্ধাৰণ কৰা হৈছে যে বিনিয়মযোগ্য দলিল আইনৰ ১৩৮নং ধাৰাৰ অধীনত এটা গোচৰত, য'ত অভিযোগকাৰীৰ গোচৰটোৰ সংজ্ঞান লোৱাৰ পিছত মৃত্যু বৰণ কৰে,তেতিয়া প্ৰক্ৰিয়াবোৰ কমি নাযায় আৰু যথাযথ আৰু ফৌজদাৰী কাৰ্যবিধি আইনত নিৰ্ধাৰিত প্ৰক্ৰিয়াৰ মাজেৰে বিচাৰটোৰ যুক্তিসংগত সমাপ্তি ঘটাব লাগিব৷ লগতে এইটোও মত পোষণ কৰা হৈছিল যে ফৌজদাৰী কাৰ্যবিধি আইনত বা বিনিয়মযোগ্য দলিল আইনত এইটো নিৰ্ধাৰণ কৰা কোনো বিধান নাই যে পৰিশোধকৰ্তাজনৰ মৃত্যুত, বিচাৰ প্ৰক্ৰিয়া হ্ৰাস হ’ব আৰু সেইকাৰণে অভিযোগকাৰীৰ ধন পাবলগীয়া ব্যক্তিজনৰ মৃত্যুত বিচাৰ প্ৰক্ৰিয়া হ্ৰাস নহয়। সেয়েহে, প্ৰকৃত অভিযোগকাৰীজনৰ বৈধ উত্তৰাধিকাৰীজন আগবাঢ়ি আহিবলৈ দায়বদ্ধ আৰু তেওঁলোকক অভিযোগকাৰীক প্ৰতিনিধিত্ব কৰিবলৈ অনুমতি প্ৰদানৰ অনুৰোধ কৰিব পাৰে যাতে আদালতে বিচাৰৰ পৰৱৰ্তী প্ৰক্ৰিয়ালৈ আগবাঢ়িব পাৰে। এই গোচৰটোত,কেৰালা উষ্চ ন্যায়ালয়ৰ টি.এন. জয়ৰাজন(উপৰোক্ত),অশোক কুমাৰ(উপৰোক্ত)গোচৰটোত জম্মু-কাশ্মীৰ উষ্চ ন্যায়ালয় আৰু মাদ্দিপত্তা গোবিনবিদায়া নাইডু(উপৰোক্ত)গোচৰটোত অন্ধ্ৰ প্ৰদেশ উষ্চ ন্যায়ালয়ৰ ৰায়ৰ ওপৰত নিৰ্ভৰশীলতা আৰোপ কৰা হৈছে।

৫৩.বৰ্তমানৰ গোচৰটোত,এইটো মনত ৰখাটো উচিত যে ফৌজদাৰী কাৰ্যবিধি আইনৰ অধীনত এজন মৃত অভিযোগকাৰীৰ বিকল্পৰ কোনো ব্যৱস্থা নাই, কিন্তু এজন দণ্ডাধীশৰ ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩০২ নং ধাৰাৰ অধীনত যিকোনো এজনক গোচৰ চলাবলৈ অনুমতি দিয়াৰ ক্ষমতা আছে। সেয়েহে, যেতিয়া মৃত অভিযোগকাৰীৰ পুত্ৰ হিচাপে ইয়াৰ বিপৰীত পক্ষই অভিযোগটো অব্যাহত ৰাখিবলৈ আগবাঢ়ি আহিছিল, ন্যায়ালয়ৰ ফালৰ পৰা, মৃত অভিযোগকাৰীৰ পুত্ৰক অভিযোগকাৰীক প্ৰতিনিধিত্ব কৰিবলৈ অনুমতি দিয়াত কোনো বাধা নাছিল। যদিও দণ্ডাধীশে মৃত অভিযোগকাৰীৰ ঠাইত অভিযুক্ত-বিপৰীত পক্ষক সলনি কৰিছে,বিবাদিত আদেশটোৱে ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩০২ নং ধাৰাৰ সন্দৰ্ভত ইয়াৰ বিপৰীত পক্ষক মৃত অভিযোগকাৰীক প্ৰতিনিধিত্ব কৰিবলৈ অনুমতি দিয়াৰ ক্ষেত্ৰত প্ৰভাৱ পেলাইছে। [লগতে অশ্বিন নানু ভাই (উপৰোক্ত)ও চাওক]।

৫৪. ওপৰৰ আলোচনাৰ পৰা যিটো স্পষ্ট হৈ পৰে সেয়া হ'ল যে হাতত থকা গোচৰটোত অভিযুক্ত-আবেদনকাৰীয়ে কৰা বুলি অভিযোগ উত্থাপন কৰা অপৰাধ প্ৰমাণ কৰাৰ বাবে অভিযোগকাৰীৰ উপস্থিতিৰ প্ৰয়োজন নাছিল। এনে পৰিস্থিতিত যেতিয়া অভিযোগকাৰীৰ পুত্ৰ অৰ্থাৎ ইয়াত বিপৰীত পক্ষই বিচাৰ চলাবলৈ আগবাঢ়ি আহিছিল, তেতিয়া বিপৰীত পক্ষক মৃত অভিযোগকাৰীৰ পুত্ৰ হিচাপে অভিযোগকাৰীক প্ৰতিনিধিত্ব কৰিবলৈ অনুমতি দিয়া আৰু গোচৰটোত তেওঁক প্ৰতিনিধিত্ব কৰিবলৈ নিজৰ পছন্দৰ অধিবক্তাক নিযুক্তি দিবলৈ অনুমতি দিয়াত ফৌজদাৰী কাৰ্যবিধি আইনৰ ২৫৬ নং ধাৰা আৰু ৩০২ নং ধাৰাৰ অনুযায়ী কোনো বাধা নাছিল। সেয়েহে, মহামান্য আদালতৰ ফালৰ পৰা পূৰ্বতে উল্লেখ কৰা অভিযোগ গোচৰৰ কাৰ্যবিধি চলি থাকিবলৈ দিয়াত কোনো আইনী বাধা নাছিল।সৰ্বশেষত,মই বৰ্তমানৰ পুনৰীক্ষণ গোচৰটোত কোনো যোগ্যতা বিচাৰি নাপাওঁ আৰু পুনৰীক্ষণ গোচৰটো গ্ৰহণযোগ্য হ'ব নোৱাৰে।

৫৫)ফলাফলত আৰু ওপৰত আলোচনা কৰা কাৰণসমূহৰ বাবে এই পুনৰীক্ষণ গোচৰটো বিফল হয় আৰু সেই অনুসৰি উক্ত আবেদনখন খাৰিজ কৰা হ'ব।

৫৬) নিম্ন আদালতৰ নথিসমূহ ঘূৰাই পঠোৱা হওঁক।

বিজ্ঞপ্তি: যদিও কোনো ভুল বা বাদ পৰি যোৱাৰ পৰা সাৰিবলৈ সকলো প্ৰচেষ্টা কৰা হৈছে, এই গোচৰ টোকা/ মূল টোকা/ৰায়/ অধিনিয়ম/নীতি/ অধিসূচনা এই বুজাবুজিৰ আৰু চৰ্তৰ ৰাখি প্ৰচাৰ কৰা হৈছে এই গোচৰ টোকা/ মূল টোকা/ৰায়/ অধিনিয়ম/নীতি/ অধিসূচনাৰ অধীনত কোনো ভুল/বাদ পৰি যোৱা,বা কোনো পদক্ষেপ গ্ৰহণ কৰা বা নকৰা, পৰামৰ্শ প্ৰদান বা গ্ৰহণ কৰা কাৰণে লব লগা যিকোনো পদক্ষেপৰ বাবে প্ৰকাশক কোনো ধৰণে দায়বদ্ধ নহ'ব।সকলোধৰণৰ বিবাদ কেৱল লক্ষৌৰ আদালত, ন্যায়াধিকৰণ আৰু মঞ্চৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ'ব।এই পাঠৰ সত্যতা মূল উৎসৰ পৰা প্ৰমাণিত কৰিব লাগিব।

অনুবাদকঃ জাহ্নৱী গগৈ

কণিষ্ঠ অনুবাদক

অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”